অসম প্ৰকাশন পৰিষদ

# লাচিত বৰফুকন



ড° সূৰ্য্য কুমাৰ ভূঞা

# লাচিত বৰফুকন

ডঃ সূৰ্য্যকুমাৰ ভূঞা

D C Library
2694

অসম প্ৰকাশন পৰিষদ
গুৱাহাটী- ৭৮১০২১

LACHIT BARPHUKAN Life-sketch of Lachit Barphukan by Dr. Suryakumar Bhuyan and published by Satish Bhattacharyya, Secretary, Publication Board Assam, Guwahati, Assam, India Fourth edition July 1990 pp 216 Price Rs. 12·00

© অসম প্ৰকাশন পৰিষদ ২৬৯৪/A

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেকট্ৰনিক বা যান্ত্ৰিক উপায়েৰে, অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপতে ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording, or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক

সতীশ ভট্টাচাৰ্য্য

সচিব

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী ৭৮১০২১

প্ৰথম প্ৰকাশ এপ্ৰিল ১৯৭১

দ্বিতীয় প্ৰকাশ নবেম্বৰ ১৯৮০

তৃতীয় প্ৰকাশ মে' ১৯৮৯

চতুৰ্থ প্ৰকাশ জুলাই ১৯৯০

মূল্য ১২·০০

মুদ্ৰক

দেৱজিৎ বেজবৰুৱা

হেমকোষ প্ৰিন্টাৰ্চ

গুৱাহাটী ৭৮১ ০২১

# লাচিত বৰফুকন

ভাৰত ইতিহাসৰ গবেষক আৰু ছাত্ৰসকলৰ কাৰণে লাচিত বৰফুকনৰ কাহিনী অত্যন্ত আকৰ্ষণীয়, কাৰণ, তেওঁৰ কাহিনীৰ লগত সেই কালৰ জনচেৰেক সৰ্বভাৰতীয় লোকৰ নাম জড়িত আছে,—সম্ৰাট আওৰঙ্গজেব, শিবাজী মহাৰাজা আৰু শিখ গুৰু টেগবাহাদুৰ। তেওঁলোকৰ সকলোকিজনেই ৰজা ৰামসিংহৰ অসম অভিযানৰ সৈতে পোনপটীয়াকৈ সংশ্লিষ্ট আছিল।

ৰামসিংহৰ যুদ্ধ পৰিচালনাৰ বিষয়ে সম্যকৰূপে জানিবলৈ হলে তেওঁৰ জীৱনৰ আগছোৱা কাহিনী আৰু ৰণ-কৌশলৰ বিষয়ে কিছু পৰিচয় থকা আৱশ্যক। তেনেহলেহে ৰামসিংহৰ প্ৰতিদ্বন্দ্বী লাচিত বৰফুকনৰ নেতৃত্বৰ প্ৰকৃত ৰূপ আমি যথাযথ ভাৱে উপলব্ধি কৰিব পাৰিম।

মোগলৰ সংঘৰ্ষৰ পৰিণামত আক্ৰান্ত দেশৰ অৱস্থা কেনেকুৱা হৈছিল, সেই সম্পৰ্কীয় ঘটনাৱলীৰ শাখা-প্ৰশাখাৰ বিষয়ে লাচিত বৰফুকনৰ বুৰঞ্জীৰপৰা আভাস পাওঁ, সেইদেখি এই কাহিনী চিত্তাকৰ্ষক। সংঘৰ্ষৰ প্ৰতিক্ৰিয়া আৰু পৰিণামৰ বিষয়ে অসমীয়াই যিদৰে বিস্তৃত আৰু প্ৰণালীবদ্ধভাৱে বিবৰণী সংৰক্ষণ কৰিছিল, তেনেকৈ কোনো ভাৰতীয় জাতিয়ে ৰক্ষা কৰা নাই। মোগল সেনাপতিসকলে অসমত কি কৰিছিল, কি কৈছিল, কিদৰে আচৰণ কৰিছিল, আৰু তেওঁলোকে কি অসুবিধাত পৰিছিল, সেইবোৰ সকলো কথা বুৰঞ্জীবোৰত লিপিবদ্ধ হৈ আছে। তাৰ সহায়েৰে, পাৰস্য ভাষাত লিখা বিবৰণীসমূহৰপৰা পোৱা জ্ঞান সম্প্ৰসাৰিত হয়, সেইদেখি অসম বুৰঞ্জীসমূহ পাৰসী ভাষাৰ বুৰঞ্জীসমূহৰ অপৰিহাৰ্য-ভাৱে পৰিপূৰক বুলি ধৰিব পাৰি।

ৰামসিংহৰ অসম যুদ্ধৰ কাহিনী, চাৰ এডোৱাৰ্ড গেইটৰ "অসম ইতিহাস" আৰু চাৰ যদুনাথ চৰকাৰৰ "আওৰঙ্গজেৱৰ ইতিহাস," এই দুই বহুমূলীয়া গ্ৰন্থত নিৰ্ধাৰিত আঁচনিৰ উপযোগীভাৱে সংক্ষিপ্তকৈ বিবৃত হৈছে। কিন্তু এই কাহিনী সম্পৰ্কে পোৱা সম্বলৰ প্ৰাচুৰ্য আৰু ঘটনাৰ গুৰুত্বলৈ চাই এখন স্বতন্ত্ৰ গ্ৰন্থৰ প্ৰয়োজন; কাৰণ ১৬৬৭ চনৰপৰা ১৬৭১ চনলৈকে এই চাৰিবছৰ অসম মহাসঙ্কটৰ মাজেদি পাৰ হবলগীয়া হৈছিল, আৰু যি উপায়েৰে অসমীয়াই এই সঙ্কট উত্তীৰ্ণ হব পাৰিছিল—সেই কাহিনী অতি গৌৰৱপূৰ্ণ আৰু অনন্তকাল অনুপ্ৰেৰণামূলক।

# পাতনি

ইংৰাজী ১৯৫৫ চনৰ জুন মাহত পুণা নগৰীত বহা ইণ্ডিয়ান হিষ্টৰী কংগ্রেছৰ প্রথম অধিবেশনত লাচিত বৰফুকনৰ বিষয়ে এটি প্রবন্ধ পাঠ কৰা হৈছিল। এই প্রবন্ধটো সকলোৱে সাদৰে গ্রহণ কৰিছিল, বিশেষকৈ মোৰ মহাৰাষ্ট্রীয় বন্ধুসকলে, কাৰণ তেওঁলোকৰ জাতীয় নেতা শিৱাজী মহাৰাজাৰ সমসাময়িক আৰু সমকক্ষ বীৰ আছিল লাচিত বৰফুকন। তেওঁলোক দুয়োজনে মোগলৰ অসামান্য ক্ষমতাৰ গতিৰোধ কৰিছিল, লাচিত বৰফুকনে পূর্বভাৰতত আৰু শিৱাজীয়ে দাক্ষিণাত্যত। পাচলৈ সেই প্রবন্ধটো সংশোধিত আৰু পৰিবর্ধিত কৰা হয়, আৰু ১৯৫৬ চনৰ ছেপ্টেম্বৰ মাহত ইংলণ্ডলৈ যোৱাৰ সময়ত তাক তেনে অৱস্থাতে এৰি যোৱা হৈছিল। ইংলণ্ডৰ-পৰা দুবছৰৰ পাচত উভতি আহোঁ।

তাৰ পাচত অন্য কাম-কাজৰ হেচা পৰাত ১৯৪৫ চনৰ শেহ ছোৱাতহে লাচিত বৰফুকনৰ কাম পুনৰ হাতত লব পাৰোঁ। সেই সময়ত দ্বিতীয় মহাসমৰৰ অৱসান হোৱাত আমাৰ অনেকে নিজ নিজ গবেষণা আৰু অধ্যয়নলৈ উভতি আহিবলৈ অৱকাশ পাওঁ। বৰফুকনৰ বিষয়ে সকলো আহিলা-পাতি পুনৰ অধ্যয়ন কৰোঁ, বিশেষতঃ অসম গৱর্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা আৱিষ্কৃত আৰু সংগৃহীত সম্বলবোৰ। যোৱা চৈধ্য মাহে যি আজৰি পাইছোঁ, সেই সকলোখিনি আজৰি লাচিত বৰফুকনৰ এই বুৰঞ্জীখনৰ সংশোধন আৰু পৰিবর্ধনৰ কার্যত প্রয়োগ কৰা হৈছে, আৰু এই গ্রন্থ ৰচনা ১৯৪৬ চনৰ ডিচেম্বৰ মাহৰ মাজ ছোৱাত সমাপ্ত হৈছে।

ভাৰত ইতিহাসৰ গবেষক আৰু ছাত্রসকলৰ কাৰণে লাচিত বৰফুকনৰ কাহিনী অত্যন্ত আকর্ষণীয়, কাৰণ, তেওঁৰ কাহিনীৰ লগত সেই কালৰ জনচেৰেক সর্বভাৰতীয় লোকৰ নাম জড়িত আছে,—সম্রাট আওৰঙ্গজেব, শিৱাজী মহাৰাজ, আৰু শিখ গুৰু টেগ বাহাদুৰ। তেওঁলোকৰ সকলোকিজনেই ৰজা ৰামসিংহৰ অসম অভিযানৰ সৈতে পোনপটীয়াকৈ সংশ্লিষ্ট আছিল। সেই কাৰণে সেই ঘটনাৰ ভেটি যিমান পৰা যায় তিমান বহল কৰিবলৈ পৰম যত্ন কৰিছোঁ, যাতে ঘটনাৱলীৰ পাৰিপার্শ্বিক অৱস্থাৰ সঠিক আভাস দিব পাৰোঁ, এই উদ্দেশ্য বিশেষকৈ ৰজা ৰামসিংহৰ ক্ষেত্রত অনুসৰণ কৰা হৈছে।

অসমত তেওঁৰ যুদ্ধ পৰিচালনাৰ বিষয়ে সম্যকৰূপে জানিবলৈ হলে তেওঁৰ জীৱনৰ আগছোৱা কাহিনী আৰু ৰণ-কৌশলৰ বিষয়ে কিছু পৰিচয় থকা আৱশ্যক। তেনেহলেহে ৰামসিংহৰ প্ৰতিদ্বন্দ্বী লাচিত বৰফুকনৰ নেতৃত্বৰ প্ৰকৃত ৰূপ আমি যথাযথভাৱে উপলব্ধি কৰিব পাৰিম।

মোগলৰ সংঘৰ্ষৰ পৰিণামত আক্ৰান্ত দেশৰ অৱস্থা কেনেকুৱা হৈছিল, সেই সম্পৰ্কীয় ঘটনাৱলীৰ শাখা-প্ৰশাখাৰ বিষয়ে লাচিত বৰফুকনৰ বুৰঞ্জীৰ-পৰা আভাস পাওঁ, সেই দেখি এই কাহিনী চিত্তাকৰ্ষক। সংঘৰ্ষৰ প্ৰতিক্ৰিয়া আৰু পৰিণামৰ বিষয়ে অসমীয়াই যিদৰে বিস্তৃত আৰু প্ৰণালীবদ্ধভাৱে বিবৰণী সংৰক্ষণ কৰিছিল, তেনেকৈ কোনো ভাৰতীয় জাতিয়ে ৰক্ষা কৰা নাই। মোগল সেনাপতিসকলে অসমত কি কৰিছিল, কি কৈছিল, কিদৰে আচৰণ কৰিছিল, আৰু তেওঁলোক কি অসুবিধাত পৰিছিল, সেইবোৰ সকলো কথা বুৰঞ্জীবোৰত লিপিবদ্ধ হৈ আছে। তাৰ সহায়েৰে, পাৰস্য ভাষাত লিখা বিবৰণীসমূহৰপৰা পোৱা জ্ঞান সম্প্ৰসাৰিত হয়, সেইদেখি অসম বুৰঞ্জীসমূহ পাৰস্য ভাষাৰ বুৰঞ্জীসমূহৰ অপৰিহাৰ্যভাৱে পৰিপূৰক বুলি ধৰিব পাৰি।

ৰামসিংহৰ অসম যুদ্ধৰ কাহিনী, চাৰ এডৱাৰ্ড গেইটৰ 'অসম ইতিহাস' —আৰু চাৰ যদুনাথ চৰকাৰৰ 'আওৰঙ্গজেৱৰ ইতিহাস', এই দুই বহুমূলীয়া গ্ৰন্থত নিৰ্ধাৰিত আঁচনিৰ উপযোগীভাৱে সংক্ষিপ্তকৈ বিবৃত হৈছে। কিন্তু এই কাহিনী সম্পৰ্কে পোৱা সম্বলৰ প্ৰাচুৰ্য আৰু ঘটনাৰ গুৰুত্বলৈ চাই এখন স্বতন্ত্ৰ গ্ৰন্থৰ প্ৰয়োজন ; কাৰণ, ১৬৬৭ চনৰপৰা ১৬৭১ চনলৈকে এই চাৰিবছৰ অসম মহা সঙ্কটৰ মাজেদি পাৰ হবলগীয়া হৈছিল, আৰু যি উপায়েৰে অসমীয়াই এই সঙ্কট উত্তীৰ্ণ হব পাৰিছিল—সেই কাহিনী অতি গৌৰবপূৰ্ণ আৰু অনন্তকাল অনুপ্ৰেৰণামূলক।

বহু-প্ৰসবিনী অসম মাতৃৰ গৰ্ভত অনেক মহাযোদ্ধা, ৰাজনীতিজ্ঞ পুৰুষ, কবি আৰু সংস্কাৰকে জন্ম গ্ৰহণ কৰিছে, কিন্তু অসমৰ অতীত-বুৰঞ্জীৰ বিষয়ে মানুহে অতি অলপহে জানে। অসমীয়া জাতি আজি দুৰ্দিনত পৰিছে, তেওঁলোকৰ গৌৰবময় ঐতিহ্যৰ বিষয়ে বৰ্তমান অৱস্থাই সঙ্কেত নিদিয়ে। জাতীয় সমস্যাৰ ধুমুহা-সঙ্কটৰ সময়ত অসমীয়াৰ চিত্তই কিমান ওপৰলৈ উঠিব পাৰে তাক বুজাবৰ কাৰণে নেতাসকলৰ উক্তিসমূহৰপৰা আমি ভালকৈ

জানিব পাৰোঁ যে যিবোৰ গুণৰপৰা এটি জাতিৰ ঐক্য আৰু স্থায়িত্ব সাধন হব পাৰে সেইবোৰ গুণৰপৰা অসমীয়া নেতাসকল একেবাৰে বৰ্জ্জিত নাছিল। বৰ্তমানে এই গুণবোৰৰ অনুশীলন আগতকৈয়ো অধিক লাগতিয়াল হৈ পৰিছে, কাৰণ, আগন্তুক স্বাধীনতা লাভৰ যুগত আমি ভাৰতীয়ই অনেক জটিল ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমস্যাৰ সমাধান কৰিব লগীয়া হৈছোঁ। লাচিত বৰফুকনৰ আৰু তেওঁৰ সহযোগী শৰাইঘটীয়া বীৰসকলৰ উদাহৰণে অকল অসমীয়া জাতিৰ কাৰণেই নহয়, গোটেই ভাৰতীয়ৰ কাৰণেও অনুপ্ৰেৰণাৰ স্থল।

অসমত হোৱা ঘটনাৱলীৰ বিবৰণী অংশ প্ৰকাশিত আৰু অপ্ৰকাশিত বুৰঞ্জীবোৰৰপৰা লোৱা হৈছে। তাৰ তালিকা পুথিৰ অন্তত প্ৰমাণপঞ্জীত দিয়া হৈছে।* এই বুৰঞ্জীবোৰৰ ভিতৰত অতি উল্লেখযোগ্য হৈছে 'ৰামসিংহৰ যুদ্ধৰ কথা' নামৰ পুথিখন। ইয়াত ৰামসিংহৰ তলত হোৱা অসম-মোগলৰ সংঘৰ্ষৰ কাহিনী লিপিবদ্ধ আছে। ভিতৰুৱা প্ৰমাণৰপৰা অনুমান হয় যে এই বুৰঞ্জীখনৰ গ্ৰন্থকাৰ হৈছে সমুদ্ৰ চূড়ামণি দলৈ। মোৰ ধাৰণা মতে, তেওঁ অচ্যুতানন্দ দলৈৰ বাহিৰে আন কোনো নহয়। শৰাই-ঘাটৰ যুদ্ধত কৰা সুখ্যাতিপূৰ্ণ কামৰ কাৰণে তেওঁক সমুদ্ৰ-খৰি উপাধি দিয়া হৈছিল। সমুদ্ৰ চূড়ামণিৰ দৰে প্ৰত্যক্ষ দৰ্শক আৰু বৰ্ণিত ঘটনাৱলীত অংশ গ্ৰহণ কৰোঁতা বিচক্ষণ পণ্ডিতৰ দ্বাৰা সঙ্কলিত বুৰঞ্জী মূল্যবান নহৈ নোৱাৰে। কিন্তু দুৰ্ভাগ্যবশতঃ পুথিখন অসম্পূৰ্ণ আৰু শৰাইঘাটৰ শেষ যুদ্ধৰ আগতে বিবৰণৰ অন্ত পৰিছে। বুৰঞ্জীখনৰ ভাষা প্ৰাচীনকলীয়া। বোধহয়, গ্ৰন্থকাৰৰ ইচ্ছা আছিল কাব্য ৰচনা পদ্ধতি অনুসৰণ কৰা আৰু অলপ-অচৰপ অপ্ৰচলিত ভাষা ব্যৱহাৰ কৰা। বুৰঞ্জীৰ পাঠো অনেক ঠাইত ভ্ৰষ্ট হৈছে, হয়তো অশুদ্ধ পাঠৰপৰা নকল যুগুত কৰা হৈছিল বা তাক অনভ্যস্ত আৰু অসাৱধান মানুহে নকল কৰিছিল। এই বুৰঞ্জীৰ সহায়েৰে মই কেবাটাও বাস্তৱতাপূৰ্ণ ঘটনা অৱতাৰণা কৰিব পাৰিছোঁ। 'ৰামসিংহৰ যুদ্ধৰ কথা'ৰ বিষয়ে এটি টোকা চতুৰ্থ পৰিশিষ্টত দিয়া হৈছে, যাতে এই বুৰঞ্জীখনৰ বিষয়ে আগ্ৰহ সৃষ্টি হয়, আৰু যাতে কোনো গৃহস্থৰ ধোঁৱাচাঙত পাহৰা অৱস্থাত থকা দ্বিতীয় আৰু সম্পূৰ্ণ 'ৰামসিংহৰ যুদ্ধৰ কথা' পুথি এখন উদ্ধাৰ হয়।

---

* এই প্ৰমাণপঞ্জী বৰ্তমান অনুবাদৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। তাৰ আভাস পাতনিত আৰু পুথিৰ ভিতৰত যথেষ্ট পোৱা যায়।—অনুবাদক।

মোৰ হাতত থকা সম্বলৰ সকলোখিনি তথ্য ব্যৱহাৰৰ কাৰণে মই যথাসাধ্য চেষ্টা কৰিছোঁ। কিন্তু গুৱাহাটীত গবেষণা কৰা লোকে যি অসুবিধা ভোগ কৰে মই তাৰ হাত সাৰিব পৰা নাই,—ইয়াত ভাল গ্ৰন্থাগাৰ নাই; আৰু পৰস্পৰ আলোচনা কৰাৰো বিশেষ সুবিধা নাই। মই কিমান-দূৰ কৃতকাৰ্য হৈছোঁ পাঠকসকলে তাক বিচাৰ কৰিব। কিন্তু এটি কথা উল্লেখ কৰিব পাৰি যে এজন পুৰুষক কেন্দ্ৰ কৰি অসম বুৰঞ্জীৰ কোনো এটা যুগৰ বিষয়ে পুংখানুপুংখ আৰু বৈজ্ঞানিকভাৱে আলোচনাৰ চেষ্টা এই গ্ৰন্থত পোনপ্ৰথমে কৰা হৈছে, সেইদেখি আসোঁৱাহ থকাটো অনিবাৰ্য। এনেস্থলত কেম্ব্ৰিজৰ প্ৰাচ্য পণ্ডিত প্ৰফেচাৰ ব্ৰাউনৰ কথাষাৰে মোক উদ্গনি দিছে,—"যিজনে নিৰ্ভুল আৰু নিখুঁত গ্ৰন্থ ৰচনা কৰিবলৈ অভিলাষ কৰে, তেওঁ একো লিখিবলৈ সমৰ্থ নহয়। কোনো গ্ৰন্থৰপৰা যদি নতুন গবেষণাৰ সূত্ৰপাত হয়, তেন্তে সেই গ্ৰন্থই, অতিশয় দোষযুক্ত হলেও, তাতোকৈ ভাল গ্ৰন্থ প্ৰণয়নৰ বাট মুকলি কৰি দিব পাৰে। যদিও, এনে অৱস্থাত, পূৰ্বৰ গ্ৰন্থৰ অস্তিত্ব পৰ্যন্ত পাহৰণিৰ সোঁতত বিলীন হৈ যোৱাৰ সম্পূৰ্ণ সম্ভাৱনা।"

লাচিত বৰফুকনৰ মৃত্যুৰ পাচত, অসম আত্মকন্দল আৰু অৰিয়া-অৰিৰ লীলাভূমি হৈ পৰিল। ইয়াৰ পৰিণামত ৰজা আৰু মন্ত্ৰীৰ সঘনে সলনি, আৰু তাৰ লগে লগে প্ৰতিদ্বন্দ্বীসকলৰ হত্যা আৰু কোঁৱৰসকলৰ অঙ্গক্ষত হবলৈ ধৰিলে। এই শোকলগা অৱস্থা ১৬৮১ চনত গদাধৰসিংহ মহাৰজা সিংহাসনত উঠাৰ দিনলৈকে চলি থাকে। ১৬৭১ চনৰপৰা ১৬৮১ চনলৈকে, এই দহ বছৰৰ বুৰঞ্জী লিখকৰ 'আতন বুঢ়াগোহাঁই আৰু তেওঁৰ যুগ' শীৰ্ষক ইংৰাজী গ্ৰন্থত বিশদভাৱে বৰ্ণিত হৈছে।

এইখিনিতে মই কেবাজনো ভদ্ৰলোকলৈ কৃতজ্ঞতা জনোৱাৰ সুবিধা গ্ৰহণ কৰিলোঁ,—দাসুৰাম মীৰ্জামল নামক কাৰবাৰৰ অধ্যক্ষ, ৰাজপুতনাৰ শিকাৰৰ অন্তৰ্গত লক্ষমনগড়ৰ শ্ৰীশেঠ মীৰ্জামল আগৰৱালা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৰ্মচাৰী শ্ৰীযুত মাধবচন্দ্ৰ বৰুৱা; বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ কৰ্মচাৰী শ্ৰীযুত উমেশচন্দ্ৰ তালুকদাৰ, তেওঁ প্ৰেছলৈ পঠোৱা পাণ্ডুলিপি যুগুত কৰাত সহায় কৰিছে; শ্ৰীযুত সূৰ্যকান্ত বৰপূজাৰী আৰু শ্ৰীযুত ভূপেন্দ্ৰকুমাৰ হাজৰিকা, এওঁলোক দুজনে মাজে-মাজে সহায় কৰিছে; মৌলবী আবুল ফজল ছৈয়দ আহমদ, অসমৰ শিক্ষাবিভাগৰ সহকাৰী অধ্যক্ষ, এওঁ পাৰস্য ভাষাত লিখা 'মাছীৰ-উল-উমাৰা' নামক গ্ৰন্থত

সন্নিবিষ্ট ৰজা ৰামসিংহৰ চমু জীৱনী ইংৰাজীলৈ অনুবাদ কৰি দিছে; শ্ৰীএম্-এম্ খামবাথা, জয়পুৰৰ মহাকমা খাচৰ ৰেজিষ্ট্ৰাৰ, এওঁ ৰামসিংহৰ বিষয়ে এটি টোকা যুগুত কৰি দিছে।

গুৱাহাটী, অসম
৬ ফেব্ৰুৱাৰী, ১৯৪৭ চন

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

# সূচীপত্ৰ


| | | |
|---|---|---|
| আৰম্ভণি | ... | ১ |
| ঐতিহাসিক পটভূমি | ... | ৪ |
| মীৰজুমলাৰ অসম আক্ৰমণ | ... | ৭ |
| আহোমৰ যুদ্ধ সংকল্প | ... | ১৪ |
| লাচিত বৰফুকন বৰসেনাপতি | ... | ১৯ |
| মোগলৰ হাতৰপৰা গুৱাহাটী উদ্ধাৰ | ... | ২৭ |
| অসমৰ বিৰুদ্ধে ৰামসিংহ ৰজা | ... | ৩৩ |
| অসমীয়াৰ আত্মসংৰক্ষণৰ প্ৰণালী | ... | ৩৮ |
| ৰামসিংহই গুৱাহাটী খোজে | ... | ৪৭ |
| ৰামসিংহৰ আক্ৰমণৰ গতিৰোধ | ... | ৫১ |
| আলাবৈত আহোমৰ বিপৰ্যয় | ... | ৬১ |
| ৰামসিংহই টানকৈ গুৱাহাটী খোজে | ... | ৬৭ |
| স্বৰ্গদেৱ চক্ৰধ্বজসিংহৰ মৃত্যু | ... | ৭০ |
| স্বৰ্গদেৱ উদয়াদিত্য সিংহ | ... | ৭১ |
| শৰাইঘাট যুদ্ধত অসমীয়াৰ জয় | ... | ৭৫ |
| লাচিত বৰফুকনৰ মৃত্যু | ... | ৮৩ |
| ১৮২৬ চনলৈকে ঘটনাৱলীৰ আভাস | ... | ৮৪ |
| অম্বেৰৰ ৰজা ৰামসিংহ | ... | ৮৭ |
| সামৰণি | ... | ১১৫ |


## পৰিশিষ্ট


| | | | | |
|---|---|---|---|---|
| প্ৰথম | : | উক্তি সংগ্ৰহ | ... | ১৬৩ |
| দ্বিতীয় | : | ঐতিহাসিক গ্ৰন্থৰপৰা টোকা | ... | ১৭১ |
| তৃতীয় | : | পত্ৰাৱলী | ... | ১৭৭ |
| চতুৰ্থ | : | 'ৰামসিংহৰ যুদ্ধৰ কথা' নামৰ বুৰঞ্জী | ... | ১৮৯ |
| পঞ্চম | : | প্ৰমাণ-পঞ্জী | ... | ১৯৮ |

## আৰম্ভণি

লাচিত বৰফুকনৰ নাম আৰু কাহিনী তেওঁৰ নিজ দেশৰ সীমাৰ বাহিৰে প্ৰচাৰিত হোৱা নাই। ইংলণ্ডত 'লৰ্ড নেলচন আৰু ওৱেলিংটনে, ইটালীত মেটজিনি, কেভোৰ আৰু গেৰিবল্ডিয়ে, ৰাজপুতনাত মহাৰাণা প্ৰতাপে, আৰু মহাৰাষ্ট্ৰত শিৱাজী মহাৰাজাই যি অনুপ্ৰেৰণা যোগাই আহিছে, লাচিত বৰফুকনেও নিজৰ জন্মভূমি অসমতো সেই অনুপ্ৰেৰণা যোগাইছে। যুদ্ধক্ষেত্ৰত তেওঁৰ নেতৃত্ব কোনোপ্ৰকাৰে হীন হোৱাৰ কাৰণে তেওঁৰ যশস্যা আৰু গৌৰৱ সীমাবদ্ধ হোৱা নাই। এই সীমাবদ্ধতাৰ মূল কাৰণ হৈছে প্ৰচাৰৰ অভাৱ। দুৰ্ভাগ্যবশতঃ এই অভাৱৰ কাৰণে অসমৰ সকলো মহৎ আৰু আদৰ্শস্থানীয় কাৰ্যাৱলী, অসমৰ বীৰপুত্ৰসকলৰ কাহিনী, অসমৰ কৱি, দাৰ্শনিক আৰু সন্তসকলৰ অৱদান আৰু চিন্তাসমূহ জনাজাত হব পৰা নাই। এনেকি অসমতো লাচিত বৰফুকনৰ সমগ্ৰ কাহিনী জনসাধাৰণে নাজানে; কাৰণ সেইবোৰ অসমীয়া হাতেলিখা বুৰঞ্জীৰ পাতত সন্নিবদ্ধ হৈ আছে, আৰু অতি কমসংখ্যক বুৰঞ্জীহে পোহৰলৈ ওলাইছে।

অসমৰ প্ৰসিদ্ধ বীৰ লাচিত বৰফুকন আছিল শিৱাজী মহাৰাজাৰ সমসাময়িক, আৰু শিৱাজীৰ দৰে তেওঁ নিজদেশত মোগলৰ প্ৰভুত্ব স্থাপনৰ গতিৰোধ কৰিছিল। বাস্তৱতে কবলৈ গ'লে লাচিত বৰফুকনৰ প্ৰধান প্ৰতিদ্বন্দ্বী ৰামসিংহ ৰজা মহাৰাষ্ট্ৰীয় সাম্ৰাজ্য সংগঠক শিৱাজীৰ কৰ্মজীৱনৰ সন্ধিক্ষণত জড়িত আছিল। সেই সম্পৰ্কে ৰামসিংহই যি কাম কৰিলে তাৰ পৰিণাম স্বৰূপে এট

দুৰ্জয় সৈন্যবাহিনীৰ সেনাপতি হৈ অসমলৈ আহিব লগাত পৰিল। আৰু আমাৰ হাতত থকা বুৰঞ্জীমূলক উপাদানৰপৰা জানিব পাৰি যে মোগলৰ বিৰুদ্ধে শিৱাজীৰ কৃতকাৰ্যতাৰ দৃষ্টান্তই অসমীয়াসকলক পূৱ-ভাৰতত মোগলৰ আক্ৰমণৰ কাৰ্যকৰীভাৱে প্ৰতিবন্ধক জন্মাবলৈ উদগনি দিছিল।

সুদক্ষ সেনাপতিয়ে তেওঁৰ প্ৰচুৰ আহিলা-পাতি আৰু বিপুল সৈন্যবাহিনীৰ ওপৰতে অকল নিৰ্ভৰ নকৰে। তেওঁৰ প্ৰধান অৱলম্বন হৈছে সুদৃঢ় প্ৰতিজ্ঞা আৰু অবিচলিত নিৰ্ভীকতা। যুদ্ধ-প্ৰথা আৰু ৰাজনীতিৰ পন্থাতকৈ তেওঁ দেশবাসীৰ হাড়ে-হিমজুৱে লগা দুৰ্দমনীয় সাহ-পিতৰ ওপৰত বেছি বিশ্বাস স্থাপন কৰে। লাচিত বৰফুকনৰ জীৱন কাহিনী, বিশেষকৈ মোগলৰ লগত হোৱা সংঘৰ্ষৰ ঘটনাৱলী ফঁহিয়াই চালে, সুদক্ষ সেনাপতিৰ গাত কি কি গুণ থকা আৱশ্যক তাক সম্যকভাৱে জানিব পাৰি।

মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ যুদ্ধ পৰিচালনাৰ কাহিনীত অসমীয়া জাতিয়ে যিদৰে সংগঠন শক্তি, নিয়মানুৱৰ্তিতা আৰু একমুখী কাৰ্যপন্থাৰ সক্ষমতাৰ পৰিচয় দিলে, অসমৰ সংৰক্ষিত বুৰঞ্জীত ক'তো তেনে উদাহৰণ পোৱা নাযায়। চাৰি বছৰ ধৰি সমগ্ৰ জাতিয়ে সংঘবদ্ধ হৈ এজন মানুহৰ দৰে কাম কৰিছিল। ক'ৰবাত অৱহেলা আৰু কৰ্তব্য পাহৰি যোৱাৰ প্ৰমাণ পালে তাক তুৰন্তে আৰু উগ্ৰ-ভাৱে দমন কৰা হৈছিল। দীঘলীয়া ৰাজকাৰ্যত চুলি পকি বুঢ়া হোৱা সেনাপতি আৰু ডা-ডাঙৰীয়াই কোমল বয়সীয়া বৰসেনাপতি লাচিত বৰফুকনৰ আদেশ হাঁহিমুখে পালন কৰিছিল। অনিদ্ৰ সতৰ্কতা আৰু দীৰ্ঘকাল ধৰি বিজয়-লাভৰ সপোনৰ প্ৰভাৱত নিজৰ ব্যক্তিগত সুখ-সুবিধাৰ কথা আৰু আত্মীয়-স্বজনৰ চিন্তা সকলোৱে পাহৰি গৈছিল। সংঘবদ্ধ হৈ শত্ৰুৰ সন্মুখীন হবৰ নিমিত্তে, অসমীয়া জাতিৰ চৰিত্ৰৰ সদ্‌গুণবিলাক সমাবেশ কৰি তাক কাৰ্যকুশলতাৰ

ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল। দেশৰ গৌৰৱ আৰু সেনাপতিসকলৰ মৰ্যাদা ক্ষুণ্ণ হোৱাকৈ কোনো কথা কোৱা নহৈছিল বা কোনো কাম কৰা নহৈছিল।

নিঃস্বাৰ্থ দেশপ্ৰেম আৰু নেতৃত্বৰ বিষয়ে শিক্ষা পাবলৈ হলে প্ৰতিজনে লাচিত বৰফুকনৰ মোগল সংঘৰ্ষৰ কাহিনীৰ প্ৰতি সদা-সৰ্বদা উভতি উভতি চাব লাগিব। তেওঁৰ প্ৰতিদ্বন্দ্বী মোগল সেনাপতি যুদ্ধক্ষেত্ৰত পৰাভূত আৰু মৰ্যাদা-লুপ্ত হৈ অসমীয়াসকলৰ বিষয়ে এইদৰে কৈ গৈছিল, "ধন্য ৰাজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা, একো আদমীয়ে সকলো সেনা চলাইতে পাৰে! মই হেন ৰামসিংহ থলত থাকিও ছিদ্ৰক নেপাওঁ।" অম্বেৰৰ কচ্ছোৱা বংশৰ বীৰসকলৰ পক্ষে শত্ৰুৰ বিষয়ে এনে প্ৰশংসা-বাণী স্বাভাৱিক।

# ঐতিহাসিক পটভূমি

লাচিত বৰফুকনৰ মোগল বিজয়ৰ সকলো কথা ভালকৈ অনুসৰণ কৰিবলৈ হ'লে অসমৰ ৰাজনৈতিক ভূগোল আৰু পূৰ্বৰ সংঘৰ্ষসমূহৰ বিষয়ে কিছু পৰিমাণে জনা আৱশ্যক।

খৃষ্টীয় সোতৰ শতিকাত অসম ৰাজ্য, পশ্চিমে মানাহা আৰু পূবে শদিয়াৰ পৰ্বতমালালৈকে বিস্তৃত আছিল। মানাহা আছিল মোগল সাম্ৰাজ্যৰ পূৰ্ব সীমান্ত আৰু শদিয়াৰ ওচৰে-পাজৰে তিব্বতলৈ যোৱা দুৱাৰ। তেতিয়াৰ অসম ৰাজ্য দীঘলে ছশ মাইলতকৈ বেছি আৰু পথালিয়ে আঢ়ৈকুৰি বা তিনিকুৰি মাইল। ব্ৰহ্মপুত্ৰ নদী ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ প্ৰবাহিত হৈছিল। উত্তৰখণ্ড উত্তৰ-কোল, আৰু দক্ষিণখণ্ডক দক্ষিণকোল বোলা হৈছিল। দীঘলে অসম ৰাজ্য দুভাগত বিভক্ত আছিল, মানাহাৰপৰা কলিয়াবৰলৈকে এই খণ্ডক পশ্চিম-অসম বা নামনি অসম বোলা হৈছিল আৰু কলিয়া-বৰৰপৰা শদিয়ালৈকে এই খণ্ডক পূব-অসম বা উজনি অসম বোলা হৈছিল। তেতিয়াৰ দিনত অসম ৰাজ্যৰ ৰাজধানী আছিল উজনি অসমৰ গড়গাওঁ নামে চহৰ। নামনি অসম স্বৰ্গদেৱৰ প্ৰতিনিধি বৰফুকনে শাসন কৰিছিল। সাধাৰণতে গুৱাহাটীত তেওঁৰ শাসন-কেন্দ্ৰ আছিল ; কিন্তু গুৱাহাটী মোগলৰ অধীনত থকা কালত বৰ-ফুকনৰ ৰাজধানী ব্ৰহ্মপুত্ৰৰ ভাটিখিনি উজনিত থকা কলিয়াবৰলৈ স্থানান্তৰিত কৰা হৈছিল।

মোগলৰ বুৰঞ্জীত সুপ্ৰসিদ্ধ চামধৰা আৰু শিমলুগড়, এই দুটা দুৰ্গ কলিয়াবৰৰ ওচৰত নৈৰ উত্তৰপাৰে আৰু দক্ষিণপাৰে অৱস্থিত আছিল। পশ্চিমৰপৰা আক্ৰমণ কৰিবলৈ অহা শত্ৰু সৈন্যক পোনতে মানাহা, আৰু তাৰ সমীপৱৰ্তী যোগীঘোপা আৰু পঞ্চৰতনত অসমীয়াই গতিৰোধ কৰিছিল। ইয়াৰ পিচত, গুৱাহাটীৰ ওচৰৰ পাহাৰলৈকে

এছোৱা সুচল নৌ-পথ আছিল। শত্ৰুসৈন্য গুৱাহাটী পাৰ হৈ গ'লে, ইয়াৰ ওঠৰ মাইল পূবে থকা কাজলিমুখত গতিৰোধৰ চেষ্টা কৰা হয়, তাৰ পিচত চামধৰা আৰু শিমলুগড় দুৰ্গত। চামধৰাই আছিল অসমীয়াৰ শেষ ৰণথলি আৰু ইয়াত যদি কিবা প্ৰকাৰে ভবি পিছলি-বলৈ হ'ল, তেনেহলে ৰাজধানী গড়গাঁৱৰ ওচৰলৈ গোটেইখণ্ড ৰাজ্য শত্ৰুৰ কবলৰপৰা ৰক্ষা কৰা টান হৈ পৰিছিল। সেইদেখি আহোম-সকলৰ যুদ্ধপন্থাৰ উদ্দেশ্য আছিল, কেউফালে কোঠ-বুৰুজ, গড়-প্ৰাঞ্চিৰে আবৃত হৈ থকা গুৱাহাটীত শত্ৰুক চূড়ান্তভাৱে ধ্বংস কৰা, আৰু নোৱাৰিলে আকৌ এবাৰ চামধৰাগড়ত যুঁজ কৰি চোৱা।

ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ভৈয়ামৰ সীমান্তত প্ৰাচীন পৰ্বতমালা। তাৰ অধিবাসীসকলে পুৰণি প্ৰথামতে জীৱন নিৰ্বাহ কৰিছে। নিয়মীয়া পচা-বৰঙণিৰ সহায়েৰে গড়গাঁৱত আহোম শাসনৰ লগত তেওঁলোকৰ সহযোগিতাৰ ব্যৱস্থা কৰা হৈছিল। পৰ্বতীয়া ৰাজ্য-সমূহৰ ৰজাসকলে প্ৰত্যক্ষভাৱে বা আওপাকে আহোম স্বৰ্গদেৱৰ অনুবৰ্তিতা মানি চলিছিল আৰু যুদ্ধাদিৰ সময়ত তেওঁলোকৰ সাৰ্বভৌম স্বৰ্গদেৱসকলক মানুহ আৰু আহিলা-পাতি যোগান দি সহায় কৰিছিল। অসমৰ স্থানীয় বাসিন্দাসমূহ আৰু তেওঁলোকৰ সহযোগী সামন্ত নৃপতিসকল, পাহাৰবাসী আৰু পৰ্বতৰ নামনিত থকা মানুহ আৰু ধন লৈ ৰণ কৰা ৰণুৱাৰ সৈতে অসমৰ সৈন্যবাহিনী সংগঠিত হৈছিল। এই সৈন্যবাহিনীৰ দৈনিক জীৱনত লাহ-বিলাহ আড়ম্বৰ নথকাৰ কাৰণে মোগল সৈন্যতকৈ ৰণৰ ক্ষেত্ৰত বিশেষ সুবিধা আছিল।

অসমৰ গোটেই প্ৰজা যুদ্ধৰ কাৰণে তৈয়াৰ হৈ থকা সৈন্যবাহিনী-দৰে আছিল। নিৰূপিত বিষয়াই তেওঁলোকক পৰিচালনা কৰিছিল একুৰি মানুহৰ ওপৰত আছিল এজন বৰা আৰু ছয়-হাজাৰৰ ওপৰ এজন ফুকন। মধ্যৱৰ্তী বিষয়াসকল আছিল—তিনি হাজাৰৰ ওপ

বৰুৱা, এহেজাৰৰ ওপৰত এজন হাজৰিকা আৰু এশ মানুহৰ ওপৰত এজন শইকীয়া। বয়সস্থ প্ৰজাবৃন্দৰ প্ৰত্যেক খেলৰে এজন সেনাপতি আছিল আৰু তেওঁলোকৰ সংগঠন প্ৰণালী এনে সুচাৰুৰূপে সম্পন্ন হৈছিল যে অতি কম সময়ৰ ভিতৰতে এটা ডাঙৰ ফৌজ সংগ্ৰহ কৰি সেনাবাহৰলৈ আনিব পৰা গৈছিল, আৰু নিজ নিজ গাঁৱত বা মূল শিবিৰত এদল ফৌজ সদায় আদেশৰ কাৰণে সষ্টম হৈ আছিল।

# মীৰজুমলাৰ অসম আক্ৰমণ

খৃষ্টীয় সোতৰ শতিকাৰ আগভাগত উজনি অসমৰ স্বাধীনতা অটুট হৈ আছিল। নামনি অসমৰ প্ৰভুত্ব পোনতে কোচৰ হাতত আছিল আৰু তাৰ পিচত আহোম আৰু মোগলৰ মাজত হাত-সলনি হয়।

১৬৩৯ খৃষ্টাব্দত অসমৰ সেনাপতি মোমাইতামুলী বৰবৰুৱা আৰু মোগলৰ সেনাপতি আল্লাহ-ইয়াৰ-খাঁৰ মাজত সন্ধি স্থাপন হয়। এই সন্ধি মতে গুৱাহাটীৰপৰা আৰম্ভ কৰি গোটেই নামনি অসম মোগলৰ হাতলৈ আহে। মোগল সম্ৰাট ছাহজাহান পাদশ্যাহৰ নৰিয়া আৰু দিল্লীৰ সিংহাসনৰ কাৰণে তেওঁৰ পুত্ৰসকলৰ মাজত হোৱা কন্দলৰ সুবিধা লৈ আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহ মহাৰাজে মোগলক গুৱাহাটীৰপৰা খেদি মানাহ পাৰ কৰি থয়। ঢাকাৰ সমীপলৈকে স্বৰ্গদেৱে গাওঁ-ভূঁই লুৰি নষ্ট কৰে আৰু ভালেমান মোগল প্ৰজাক ধৰি বন্দী কৰি লৈ আহে। মোগলৰ কৰতলীয়া কোচবেহাৰেও স্বাধীনতা ঘোষণা কৰে।

দিল্লীৰ সিংহাসনত সুদৃঢ়ভাৱে বহি লৈ সম্ৰাট আওৰঙ্গজেৱে কোচবেহাৰ আৰু অসম আক্ৰমণ কৰি পূৰ্ব-ভাৰতত লুপ্ত হোৱা মোগলৰ মৰ্যাদা আৰু ক্ষমতা পুনৰ সংস্থাপিত কৰিবৰ কাৰণে মীৰজুমলা নবাবক আদেশ দিলে। কোচবেহাৰ অধিকাৰ কৰি মীৰজুমলাই ১৬৬২ চনৰ আৰম্ভণিত অসম প্ৰৱেশ কৰে। মানাহা আৰু গুৱাহাটীৰ অন্তৰৱৰ্তী দুৰ্গসমূহৰ ক্ষীণ গতিৰোধ মীৰজুমলাই অতি সহজে অতিক্ৰম কৰে। তেওঁ ইটোৰ পিচত সিটো দুৰ্গ অধিকাৰ কৰে। প্ৰকাৰান্তৰে কোনো প্ৰতিবন্ধক নোহোৱাকৈ পাণ্ডু, শৰাই, গুৱাহাটী আৰু কাজলিৰ দুৰ্গ মোগলৰ হস্তগত হয়।

মীৰজুমলাৰ অবাধ গতিৰ মূল কাৰণ আছিল অসমীয়াৰ মাজত হোৱা বিৰোধ আৰু অসন্তুষ্টি। প্ৰধান প্ৰধান সেনাপতিৰ বাব আৰু

বিষয় আহোমসকলৰ চিৰন্তন ভোগ আছিল। আহোমসকল আছিল যুদ্ধপ্ৰিয় টাই জাতিৰ মানুহ আৰু তেওঁলোকে তেৰ শতিকাৰ আগছোৱাত অসম জয় কৰে। স্বৰ্গদেৱ জয়ধ্বজসিংহ মহাৰাজে এজন হিন্দু কায়স্থক নামনি অসমৰ ৰাজপ্ৰতিনিধি নিয়োগ কৰে আৰু মীৰজুমলাৰ বিৰুদ্ধে পঠোৱা সৈন্যবাহিনীৰ ওপৰত তেওঁক যুদ্ধৰ চৰ্দাৰ পাতে। এই বিষয়াজনৰ নাম আছিল বেজদলৈ পৰিয়ালৰ মনথিৰ ভঁৰালী বৰুৱা। পাৰস্য ভাষাত লিখা বুৰঞ্জীসমূহত তেওঁক "বিজদিলী ফুকন" বুলি অভিহিত কৰা হৈছিল। এই নিয়োগত পুৰুষানুক্ৰমে ক্ষমতা ভোগ কৰি অহা আহোম ডাঙৰীয়া, বিষয়া আৰু সেনাপতি-সকলৰ বিষম অসন্তোষ আৰু কোপ সৃষ্টি হয় আৰু আক্ৰমণকাৰীক তেওঁলোকে যি প্ৰতিবন্ধক দেখুৱায় সি আহোমৰ বিচক্ষণ সামৰিক সংগঠন, নাইবা ব্যৱস্থাৰ বিদেশী সৈন্যক পৰাজিত কৰা গৌৰৱৰ অনুকূল নাছিল। সেইদেখি মীৰজুমলাৰ অসম প্ৰৱেশ অপ্ৰতিহত বিজয়-নাটৰ কাহিনী। অৱশ্যে আহোম শিবিৰত হোৱা অন্তৰ্বিৰোধ যে ইয়াৰ কাৰণ, এই কথাটো মীৰজুমলাৰ অভিযানৰ কোনোজন ঐতিহাসিকে আঙুলিয়াই দেখুৱা নাই।

মোগল সৈন্য কলিয়াবৰৰ ওচৰ পোৱাৰ লগে-লগে আহোমসকলৰ চেতনা আহিল। তেওঁলোকে শিমলুগুৰি আৰু চামধৰাত শত্ৰু-সৈন্য ভেটিবৰ কাৰণে সকলো চেষ্টা কেন্দ্ৰীভূত কৰিলে। পাৰস্য ভাষাত লিখা মীৰজুমলাৰ অসম অভিযানৰ বুৰঞ্জীত কোৱা হৈছে যে, "শিমলুগুৰিৰ দুৰ্জয় আৰু গগনস্পৰ্শী গড় অৱৰোধ কৰা কাৰ্য উচ্চ সঙ্কল্পকাৰীসকলৰ ভিতৰত অগ্ৰগণী বীৰৰো ক্ষমতাৰ অতীত আছিল।" মীৰজুমলাৰ সাহসিক সেনাপতি দিলেৰ-খাঁ দাউদ-জায়ে এই দুৰ্গ আক্ৰমণ কৰিলে। আহোমসকলে এই অৱৰোধৰ বিৰুদ্ধে কৃতকাৰ্যভাৱে কিছুদিন প্ৰতিৰক্ষা কৰি আছিল; কিন্তু উত্তৰবাহিনী আহোম সৈন্যৰ সেনাপতি লাঙ্গিচং বৰগোহাঁয়ে যথাসময়ত অৱৰুদ্ধ

দুৰ্গলৈ আহিলা-পাতি নপঠোৱাত দিলেৰ-খাঁই দুৰ্গৰ দুৱাৰ ভাঙি সোমাবলৈ সমৰ্থ হ'ল আৰু মীৰজুমলাই নিজে ১৬৬২ চনৰ ২৬-ফেব্ৰুৱাৰী তাৰিখে শিমলুগড় দুৰ্গ প্ৰবেশ কৰি তাৰ গড়-প্ৰাক্ষি দেখি বিস্ময় প্ৰকাশ কৰিলে। উত্তৰপাৰে থকা চামধৰাগড়ৰ আহোম সৈন্যই শিমলুগড়ৰ দশা দেখি আতঙ্কিত হৈ বিশেষ কোনো বাধা নিদিয়াকৈ সেই ঠাই ত্যাগ কৰিলে। ইয়াৰ পিচত বুঢ়াগোহাঁই ডাঙৰীয়া সেনাপতি হৈ কুকুৰাকটাত এবাৰ শত্ৰুৰ সৈতে যুঁজি চায়। সেই ৰণতো আহোম সৈন্য বিভঙ্গ হয়। জয়ধ্বজসিংহ মহাৰাজ নামৰূপৰ পৰ্বতলৈ পলাই যায়, আৰু মীৰজুমলাই ১৬৬২ চনৰ ১৭ মাৰ্চ তাৰিখে গড়গাওঁ নগৰ প্ৰবেশ কৰে।

ৰাজধানীৰ ওচৰত থকা কালত মীৰজুমলাই শোকাবহ পৰিণাম ভোগ কৰিবলৈ ধৰিলে। ৰাজ্যৰ সোঁ-মাজত শত্ৰুসৈন্য টিঘিল-ঘিলাই থকা দৃশ্য দেখি অসমীয়াৰ সুপ্ত দেশপ্ৰেম জাগ্ৰত হ'ল। মোগলক দেশৰপৰা খেদাবৰ কাৰণে বিস্তৰ আয়োজন চলিল আৰু স্বৰ্গদেৱে নিজে নামৰূপ বাহৰৰপৰা তাক পৰিচালনা কৰিবলৈ ধৰিলে। অসমীয়া সৈন্যই জুমে-জুমে মোগলক বেলেগ বেলেগ ঠাইত আৰু বিশেষকৈ নভবা-নিচিন্তা সময়ত আক্ৰমণ কৰিবলৈ ধৰিলে। খোৱাৰ আহিলা-পাতি চলাচল হবলৈ নিদি আহোম সৈন্যই বাটতে কাঢ়ি লৈছিল, ইয়াৰপৰা মোগলৰ নানান অসুবিধা আৰু কষ্ট হবলৈ ধৰিলে। অভিযানৰ লগত থকা মোগল ঐতিহাসিকে স্বীকাৰ কৰিছিল, "আমীৰাসকলে সতৃষ্ণনয়নে দিল্লীৰ ফালে চাই আছিল, আৰু সৈন্যবোৰে লৰা-তিৰোতাৰ কাৰণে বিয়াকুল হৈ পৰিছিল।"

১৬৬৩ খৃষ্টাব্দৰ জানুৱাৰী মাহত তিপামৰ ঘিলাঝাৰীঘাটত আহোম আৰু মোগলৰ সন্ধি-পত্ৰ স্বাক্ষৰিত হয়। এই সন্ধিমতে আহোমে মোগলক নামনি অসম এৰি দিয়ে ; যুদ্ধৰ খৰচৰ বাবে তিনি-লাখ টকা, নব্বৈটা হাতী দিবলৈ গাত লয় আৰু বছৰি একুৰি হাতী

দিবলৈ স্বীকাৰ কৰে। ইয়াৰ উপৰিও স্বৰ্গদেৱৰ কন্যা ৰমণী গাভৰুক আৰু স্বৰ্গদেৱৰ ভতিজী তিপাম ৰজাৰ জীয়েকক দিল্লীৰ সম্রাটৰ অন্দৰমহললৈ পঠাবলৈ প্ৰতিশ্ৰুতি দিয়ে। সন্ধিমতে দিবলগা কৰভাৰৰ প্ৰথমছোৱা অতি সোনকালে মোগলৰ প্ৰতিনিধিৰ হাতত গতাই দিয়া হয়। ১৬৬৩ চনৰ ফেব্ৰুৱাৰী মাহত মীৰজুমলাই অসম ত্যাগ কৰে আৰু ন-কৈ মোগলৰ ছত্ৰাধীন হোৱা নামনি অসমৰ ফৌজাদাৰ নিযুক্ত হয় ৰছিদ-খাঁ নবাব।

মোগল সেনাপতি মীৰজুমলাই বাবহাজাৰ অসমীয়া প্ৰজা আৰু বন্দী লগত লৈ অসম এৰিলে। নিজ ইচ্ছাৰে মীৰজুমলাৰ লগত যোৱাসকলৰ ভিতৰত আছিল—বাদুলি ফুকন, মৌ পিয়া, হৰিডেকাৰ পুতেক, উদ্ধৱ দুৱৰীয়া, দাংধৰা আৰু ৰঘুকাথৰ পুতেক মনোহৰ কাকতি। এইসকল আহোম বিষয়াক মোগলে বন্দী কৰি ধৰি লৈ গৈছিল—লুথুৰি চেটিয়া ৰাজখোৱা, দয়ঙ্গীয়া বৰগোহাঁই ৰাজখোৱা, লালুক গোহাঁই আৰু দীঘলা ৰাজখোৱা। এইদৰে অসমৰ মানুহ লগত লৈ যোৱাৰ কাৰণে স্বৰ্গদেৱ জয়ধ্বজসিংহই প্ৰতিবাদ জনাইছিল, যিহেতু সেই কাৰ্য ঘিলাঝাৰীঘাটৰ সন্ধিসৰ্তৰ বিৰুদ্ধে আছিল।

স্বৰ্গদেৱ বকতাত থকা কালত মীৰজুমলাৰ বিৰুদ্ধে যুদ্ধ কাৰ্যত কৰ্তব্যবিমুখ হোৱা বিষয়াসকলক যথাবিধি শাস্তি দিছিল, ঘাইকৈ যিসকলে স্বৰ্গদেৱৰ লগ এৰিছিল। এনে ধৰণৰ অপৰাধী দেশত অলেখ আছিল আৰু তেওঁলোকক শাস্তি দিবলৈ হলে বহুত মানুহে প্ৰাণ হেৰুৱাব লাগিব। বিশেষতঃ সেই অপৰাধ সাধাৰণ আৰু বহুবিস্তীৰ্ণ আছিল। ৰজা শহুৰ ৰাজমন্ত্ৰী ফুকনে স্বৰ্গদেৱক উপদেশ দিলে—"মূৰৰ চুলি দুই এডাল পকিলে তাক কাঢ়িলে শোভা দেখি, সকল যদি পকিল তাক কাঢ়িলে আপোনাৰ মূৰত দুখ পাবলৈহে আছে।" এইবুলি কোৱাত স্বৰ্গদেৱে অতীতৰ অপৰাধ মৰ্ষণ কৰিলে, আৰু শাস্তি দিয়াৰপৰা ক্ষান্ত হ'ল।

উজনি অসমৰপৰা মোগল সৈন্য আঁতৰি অহাত আহোম স্বৰ্গদেৱ আৰু মন্ত্ৰীসকলে তেওঁলোকৰ হেৰোৱা ৰাজ্য আৰু মৰ্যাদা উদ্ধাৰ কৰিবলৈ বিস্তৰ আয়োজন চলালে আৰু মোগলৰ সৈতে বাহিৰে মিত্ৰতাৰ ভাওঁ ধৰি তেওঁলোকে নিৰ্ধাৰিত কৰ-ভাৰ নিয়মমতে যোগাবলৈ ধৰিলে। পূৰ্ব-ভাৰতত মোগলৰ বিৰুদ্ধে সংঘবদ্ধ হৈ যুদ্ধ কৰিবৰ মনেৰে কোচবেহাৰ, জয়ন্তীয়া আৰু কাছাৰৰ ৰজাসকলৰ সৈতে পত্ৰ চলাচল হবলৈ ধৰিলে। পুনৰ যুদ্ধ হলে সহায় কৰিব বুলি এইসকল ৰজাই ডাঠকৈ প্ৰতিশ্ৰুতি দিলে।

জয়ন্তীয়া ৰজা যশমত্তৰায়ে আৰু তেওঁৰ কৰতলীয়া নৰ্তঙ্গীয়া মানিকসিং ৰজাই আহোম স্বৰ্গদেৱলৈ লিখিলে—"জয়ন্তা আৰু গড়গাওঁ দুই নাহয়। তোমাৰ দেশ নামাৰিছে যেন আমাৰ দেশহে মাৰিছে, আমাৰ মনে এমত দুখ লাগিছে। তোমাৰ দেশ বঙালে মাৰিলে আমি কুশলে বসি আছিলোঁ। হুকুম নাকৰিলাম দশ-বিশ হাজাৰ লোক আমাৰ গৈয়া নাপৰিল, এই খানহে আমাৰ চিত্তে অধিক দুখ লাগিছে। অতপৰ যে হৈবাৰ আছিল সে হৈল। আৰু বঙালে খানিক পীড়া কৰিলেক এইমাত্ৰ, মাটিক নিবাক নাপাৰিলে। সেইদেশ, সেইলোকসকল আছে, তুমি আপুনি কুশলে আছে। এখন এমত কাৰ্য কৰি তুমি আমি একপ্ৰীতি হৈয়া যেমনে বঙালৰ দাদ লৈবাৰ পাৰি তাকে কৰ।"

কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণে জয়ধ্বজসিংহ স্বৰ্গদেৱলৈ লিখিলে—"মোৰ ৰাজ্যচ্যুত তোমাৰো ৰাজ্যচ্যুত হৈল; কিন্তু মোৰো মনে নাহি কৰে, তোমাৰো মনে নাহি কৰে, ইয়াতে মঞি ৰাজ্য ফিৰি পালোঁ, তোমৰাও ৰাজ্য পাইলা। আৰু তোমাৰ যে ৰাজ্যচ্যুত হৈছে, ইহাৰ কাৰণ তোমাৰ কোনো দুখ কৰিবাৰ উচিত নাহয়। দেখ, ৰামচন্দ্ৰ সুৰথ, যুধিষ্ঠিৰ, এই সকলৰো ৰাজ্যচ্যুত হৈছিল; কিন্তু তামৰাসকলে উদ্যোগ কৰিয়া ফিৰিয়া লৈলেক নিমিত্তে তাহাবাৰ

অকীৰ্ত্তি নাহৈল। সম্প্ৰতি আমাৰ তোমাৰ ৰাজ্যচ্যুতি হৈছিল। ইহাত যদি আমাৰা সময়ত উদ্যোগ নাকৰি তবে আমাৰ অকীৰ্ত্তি হৈবেক। আৰু যেখান লিখিছ, ইদানীক আমাৰ তোমাৰ যেমতে প্ৰীতি হয় তেমনে কৰিবা।"

আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহ মহাৰাজে উত্তৰ দিলে—"তুমি যি ৰাজ্যচ্যুত নহৈবাৰ উদ্যম কৰিবৰ কাৰণ কহিলা কহিবাক পোৱা। কিন্তু সূৰ্যক ৰাহুয়ে আগ্ৰহণ কৰিয়া থয়, তথাপিতে সূৰ্য পুনৰ প্ৰকাশ নকৰে? এতেকে আমিও বলাবল জিজ্ঞাসা কৰিয়া যতন কৰিছি, তুমিও ইহাক লাগিয়া যতন কৰিবা। বিশেষ অগ্নি বায়ু সংযোগ হুয়া যেমন তৃণসকলক দহি ছন্ন কৰে, তুমি আমি তেমনে প্ৰীতি হৈলে শত্ৰুক দমন কৰি নষ্ট কৰিবাক পাৰি, তেমনখান কৰিবা।"

মোগলৰ বিৰুদ্ধে পুনৰ যুদ্ধৰ আয়োজনৰ কাম কিছু পৰিমাণে আগবঢ়াৰ সময়ত ১৬৬৩ খৃষ্টাব্দৰ নবেম্বৰ মাহত জয়ধ্বজসিংহ স্বৰ্গদেৱৰ মৃত্যু ঘটে। মীৰজুমলাই গড়গাওঁ পাওঁ-পাওঁ হওঁতে ৰাজধানী এৰি পাহাৰলৈ পলাই যোৱাৰ কাৰণে জয়ধ্বজসিংহ মহাৰাজৰ নামত প্ৰাচীন বুৰঞ্জীসমূহত কলঙ্ক আৰোপিত কৰা হৈছে। তেওঁ সাধাৰণতে "ভগনীয়া ৰজা" আখ্যাৰে অভিহিত। মোগলৰ লগত হোৱা সংগ্ৰামত তেওঁ পৰাভূত হৈছিল সঁচা, কিন্তু শত্ৰুক নিজ দেশৰপৰা আতঁৰাবলৈ তেওঁ যি চেষ্টা কৰিছিল তাৰদ্বাৰা তেওঁ পৰাজয়ৰ গ্লানিক জাতিৰ নৈতিক শক্তি আৰু কাৰ্যকৰী উদ্যমত ৰূপান্তৰ কৰিছিল। সেই কাৰণে তেওঁৰ সাম্প্ৰতিক পৰাভৱক আমি বিজয়ৰ সূচনা বুলি কব পাৰোঁ। অন্তিম কালত দিয়া নিৰ্দেশৰপৰা আমি তেওঁৰ দেশ-প্ৰেমিক মনোবাঞ্ছাৰ সঙ্কেত পাওঁ। তেওঁ মন্ত্ৰীসকলক নিজৰ কাষলৈ মাতি আনি কলে—"মোৰ গা বিধাৰণ, ভালকে পোৱা নাই। এতেকে মই তোমালোক সকলোতে কৈছো, ভগাৰাজ্যখন যিৰূপে ৰক্ষা পৰিব

তোমালোক সকলো যুক্তি হৈ একমতিয়ে প্ৰবৰ্ত্তি এজনাক আগত লৈ প্ৰতিপাল কৰিবা। আৰু বঙাল শত্ৰুৰ বুকুৰ শাল উদ্ধাৰ কৰিব পাৰিলে ভাল হয়।"

## আহোমৰ যুদ্ধ সংকল্প

স্বৰ্গদেৱ জয়ধ্বজসিংহৰ মৰণান্তে দদায়েকৰ পুতেক চক্ৰধ্বজসিংহ মহাৰাজ সিংহাসনত বহিল। তেওঁ ৰজা হোৱা দিনৰেপৰা অসম-মোগলৰ সংঘৰ্ষৰ ক্ষেত্ৰত এক নতুন যুগৰ সূত্ৰপাত হ'ল। অসম দেশ এক প্ৰকাৰে মোগলৰ কৰতলীয়া ৰাজ্য হোৱা দেখি নতুন গৰাকী ৰজাই মৰ্মান্তিক দুখ পালে। নামনি অসম মোগলৰ তলত, আৰু যুদ্ধৰ পেচ্ কচ্ ভালেখিনি এতিয়াও দিব লগা হৈ আছে। ইয়াৰ কাৰণে গুৱাহাটীৰ ফৌজাদাৰ ৰছিদ-খাঁই ভয় দেখুৱাই টানকৈ পত্ৰ লিখিবলৈ ধৰিলে। সম্ৰাট আওৰঙ্গজেৱে চক্ৰধ্বজসিংহ মহাৰাজলৈ এযোৰ কাপোৰ বা খেলাট উপহাৰ দিছিল আৰু গড়গাঁৱলৈ অহা পাদশ্যাহী উকীলে টানি ধৰিলে যে স্বৰ্গদেৱে সেই কাপোৰ তেওঁ-লোকৰ আগতে পিন্ধিব লাগে। চক্ৰধ্বজসিংহই এই ভীষণ অপমান সহিব নোৱাৰিলে। তেওঁ সিংহাসনৰপৰা গৰ্জি উঠি কলে—"বঙালৰ অধীন হৈ থকাতকৈ মৰণেহে যুগুত। এযোৰ সিয়া কাপোৰৰ কাৰণে মই লোকৰ তলতীয়া হব লগীয়াত পৰিলোঁ।" ১৬৬৫ খৃষ্টাব্দৰ মাৰ্চ মাহত পাত্ৰ-মন্ত্ৰী, বিষয়াসকলক মাতি আনি নামনি অসমৰপৰা মোগলক খেদি পঠাবলৈ উপায়-মন্ত্ৰণা কৰিবলৈ আদেশ দিলে, বোলে —"মোৰ পুথাও-পুলিনে লোকৰ তলপ হৈ যোৱা নাই, এতিয়া ম লোকৰ তলপ হৈ থাকিব নোৱাৰোঁ। মই স্বৰ্গমহাৰজাৰ নাতি, বন্দী বঙালক কি ৰূপে কৰভাৰ দিম?"

স্বৰ্গদেৱ চক্ৰধ্বজসিংহই তুৰন্তে যুদ্ধ কৰিবলৈ মন কৰিলে; কিন্তু আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়াই সতৰ্ক বাণী শুনোৱাত ৰজাৰ ব্যগ্ৰতা শাম কাটিলে। বুঢ়াগোহাঁই ডাঙৰীয়াই যুক্তিৰে বুজালে যে, বঙালক ধৰিবলৈ সময়ৰ প্ৰয়োজন, সৈন্যক শিক্ষা দিব লাগিব, খোৱাৰ সামগ্ৰী আৰু যুদ্ধৰ আহিলা-পাতি ভঁৰালত ভালকৈ গোটাব

লাগিব, যাতে বছৰ চেৰেকৰ কাৰণে যুদ্ধ পৰিচালনা কৰিব পাৰি।

সেইদেখি, ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই ডাঙৰীয়াই স্বৰ্গদেৱ আৰু মন্ত্ৰীসকলক এইৰূপে পৰামৰ্শ দিলে—"ৰজা হলে শত্ৰুক মাৰি-কাটি আপোনাৰ সীমনাক ৰাখিব লাগে, তেবেসে যশধৰ্ম্ম বৃদ্ধি হয়। দেৱতাই যিখান বুলিছে উত্তমহে বুলিছে। সকল দিন স্বতন্ত্ৰ ৰাজা, বঙালৰ আইচটি সহিব নোৱাৰি। দেৱতাই উত্তমহে কৈছে, পাৰিত-পক্ষে যেন আজিয়েই ধৰিম।

"কিন্তু ৰাজ্যত চাউল-কঠা নাই, বহা-পাবনাটো ভালৰূপে নাই, এতেকে বঙালক কিৰূপে ধৰা যাব? ৰাজ্যকো আহিলা-পাতি যোগাই দিব লাগিব। সিয়ো আহিলা-পাতি মাৰিলে বৰস্বাৰ দিব লাগে। এতেকে আহিলা-পাতি বহু লাগে; কিন্তু ৰাজ্যো ভাগিছে, এতিয়াহে স্বৰ্গদেৱে চপাই আনি পূৰ্বৰ ঠায়ে-ঠায়ে পাতিছে। তাৰ চাউল-কঠা, কানি-খান হৈছে নহৈছে তাকো বিচাৰ কৰিব লাগে। সকলো দ্ৰবত কৰি চাউল-কঠাহে প্ৰধান, তাৰ বিকল হলে কোনো কাৰ্য সিদ্ধ নহয়।

"নাও-নাৱবাখানি আহিলা-পাতি ভাগে-ভাগে যি দিব লগা এতিয়া স্বৰ্গদেৱে সুধিলে বুলিব, 'আছে, জোৰাই দিব পাৰিম।' কাৰ্যৰ বেলা দিব নোৱাৰিব। তেতিয়া কাটিলে-মাৰিলে কোনোখান নহব। কোনো সময়ত নাও আহিলা-পাতি সমস্তে পৰিবলৈ আছে। আৰু যদি দুই চাৰি বছৰ লাগি থকা গল, এতিয়া ভণ্ডাৰত অধিকাধিক নহলে তেতিয়া কিৰূপে জোৰাই দিয়া যাব? এতিয়া বিচাৰ কৰি নিয়ম নকৰিলে সময়ত কাটিলে-মাৰিলে কাৰ্য নহব।

"কুমাৰে চৰু বেচে, আৰু কাঁড়ী পাইকে পৰলীয়া চাউল একঠা খাবৰ নিমিত্তে দুকড়া কড়িৰ চৰু এটি আনে। সকলো মূলি এবুৰি

কড়িৰ বেহানি সেয়ে হানি হয় বুলি পাইকে হাতত লৈ বজাই চায়। সেই যদি হাতত নাবাজে নিয়েনেকি ?

"আৰু চৰায়ে গছত বাসা লৈ পোৱালী জগায়। পোৱালী তুলি কিছু শকত হলে ঠোঁটত ধৰি উকৱাই চায়, ইডালে-সিডালে লৈ ফুৰায়। পাখি যদি গজিল, উৰিব যদি পাৰিলে, মাইকীৰ লগত চৰিবুলি আহি বাঁহ লয়হি। উৰিব পাৰিলেহে মাটিলৈ নমায়, তাতো আপোনি আহাৰ কৰিব পাৰিলেহে লগ এৰে। পাখি যদি সমান হ'ল, মাইকীয়ে আহাৰ দিব নোৱাৰি যদি উকৱাই নিয়ে, এক উৰণ দি পৰেগৈ, দোয়াবাৰ বাঁহ নাপায়হি। কোনো শিয়াল কুকুৰে খায়, নাই মানুহে ধৰি নিয়ে।

"মানুহ চ'ৰা নাৱত উঠিব। আগৰ বৈচা, মাঝৰ বৈচা, পাচৰ বৈচা তিনিবো একেলগে চাব পৰিলে দেখিবলৈও ভাল, বাওঁতায়ো উৎসাহ পায়, নাৱো চলে, কঢ়াৰিয়ে দি চল পায়। আগৰ, মাঝৰ, পাচৰ তিনিবো যদি তিনচাব হ'ল কঢ়াৰিয়ো দি চল নাপায়, নাৱো নচলে, দেখোঁতায়ো ভাল নেদেখে।

"এনেৰূপে প্ৰমাণ কৰি দেৱে যদি কাৰ্যত মন দিব পাৰে, তেবে শত্ৰুক মাৰি পূৰ্ব সীমনাত ৰাজ্য ৰাখিব পাৰে।"

বুঢ়াগোহাঁই ডাঙৰীয়াৰ দূৰদৰ্শিতাপূৰ্ণ পৰামৰ্শ শুনি স্বৰ্গদেৱে দেশৰ প্ৰকৃত অৱস্থাৰ বিষয়ে ভালকৈ জানিব পাৰিলে। ৰাজভঁৰালত কিমান আহিলা-পাতি যুগুত আছে সেই বিষয়ে স্বৰ্গদেৱে জয়ানন্দ তামদলৈক সুধিলে। মুকলি চ'ৰাত এই প্ৰশ্ন সোধাত দলৈয়ে ক'লে যে ভঁৰালত আহিলা প্ৰচুৰ পৰিমাণে আছে। কিন্তু স্বৰ্গদেৱ ভিতৰলৈ যোৱাত দলৈয়ে প্ৰকৃত অৱস্থাৰ বিষয়ে ক'লে, বোলে—"খাৰ-বাৰুদৰ নামে এপেৰাও নাই, গুলীৰ নামে চাৰিপেৰাও ভঁৰালত নাই, আৰু কাঁড় এক আটিও নাই। পাত্ৰ-মন্ত্ৰী বিষয়াসকলৰ আগত বৰচ'ৰাত সোধাৰ কাৰণে মই সৰহকৈ আছে বুলি কলোঁ, কাৰণ তেনেকৈ নক'লে



আমাৰ মানুহৰ উৎসাহ হ্ৰাস পাব, আৰু শত্ৰুৱেও শুনি সন্তোষ পাব।"

বুঢ়াগোহাঁই ডাঙৰীয়াৰ উপদেশ স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰী বিষয়াসকলে গ্ৰহণ কৰাত দুবছৰ ধৰি যুদ্ধৰ আয়োজন চলিবলৈ ধৰিলে। স্বৰ্গদেৱে নিজে ৰণুৱাৰ শিক্ষা চাই ফুৰিছিল আৰু কেনেকৈ ধেনু-কাঁড় আৰু যুদ্ধৰ অন্য অস্ত্ৰ মাৰিব লাগে তাক নিজহাতে শিকাইছিল। নতুন সৈন্যবোৰক উৎসাহ দিবৰ মনেৰে স্বৰ্গদেৱে তেওঁলোকক তিৰোতা, সোণ, কাপোৰ, গাখীৰ, মাছ, লোণ আৰু চাউল উপহাৰ দিছিল। ৰাজবিষয়াৰ তত্ত্বাৱধানত ধান আৰু অন্যান্য খাদ্য শস্যৰ খেতি কৰোৱা হৈছিল। খাৰঘৰ আৰু কমাৰশাল ৰজাৰ নগৰৰ ভিতৰত পতা হৈছিল, আৰু তাত দিনে-ৰাতিয়ে কাম চলিছিল। মাটিৰ যুদ্ধৰ আয়োজনৰ বাহিৰেও আহোমসকলে ভালেমান হিলৈচৰা যুদ্ধৰ নাও আৰু অসংখ্য সাধাৰণ নাও তৈয়াৰ কৰিছিল। কাৰ্য-কুশলতাৰ কাৰণে হেজাৰ সৈন্যৰ মুঠ ভাঙি পাঁচশৈয়া কৰি মুঠ কৰা হৈছিল। তেনে প্ৰত্যেক পাঁচশৈয়া মুঠৰ ওপৰত এজন হাজৰিকা নিয়োগ কৰা হৈছিল। ছয় হেজাৰ সৈন্যৰ ওপৰত এজন ফুকন পতা হৈছিল। আয়োজন সম্পূৰ্ণ হোৱাৰ পিচত স্বৰ্গদেৱে নিজে আগত থাকি সৈন্যৰ মোহলা চাইছিল আৰু সিহঁতৰ সাহ-পিত দেখা পাই স্বৰ্গদেৱে পৰম আনন্দ পাইছিল।

তাৰ পিচত এই বিপুল সৈন্যবাহিনীৰ সেনাপতি পতাৰ সময় আহিল। আহোমৰ নামজ্বলা ফৈদৰ ভিতৰত সাহসিক সেনানায়ক ভালেমান আছিল ; কিন্তু অসমৰ ভীষণ সমস্যাটোলৈ চাই যেই-সেই সেনাপতিৰ দ্বাৰা একো সুফল নহব। তাৰ উপৰিও ৰাজ্যৰ ধৰণী বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁই এওঁলোক তিনিজনাই সকলো বিষয়াকে পাতিব-ভাঙিব পাৰে আৰু প্ৰয়োজন হলে ৰজাকো পাতিব-ভাঙিব পাৰে, এতিয়া এওঁলোক তিনিজনো সৈন্যৰ পৰিচালক

নিযুক্ত হৈছিল। যিজন সেনাপতি হব, তেওঁৰ কাৰ্য-কুশলতা আৰু বুদ্ধি বিচক্ষণ হব লাগিব, তেহে তেওঁৰ দেশৰ নেতাসকলৰ সহযোগ লাভ কৰিব পাৰিব। যাতে কোনো সংঘৰ্ষ নহয়, সেই কাৰণে সেনাপতিজনৰ গাত আহোমৰ তলত থকা কলিয়াবৰৰপৰা গুৱাহাটী-লৈকে এই খণ্ড নামনি অসমৰ যাৱতীয় শাসন ভাৰ ন্যস্ত থাকিব। এই বিষয়ে স্বৰ্গদেৱ আৰু পাত্ৰমন্ত্ৰীয়ে ভালকৈ সমালোচনা কৰিবলৈ ধৰিলে, এনেকি দেওধাই দৈৱজ্ঞবো মতামত ললে। অৱশেষত, অসমৰ ভাগ্যনিয়ন্তাৰূপে লাচিত বৰফুকন মুখ্য সেনাপতি পদৰ বাছনিত উঠিল।

# লাচিত বৰফুকন বৰসেনাপতি

লাচিত বৰফুকন কোন? তেওঁ আছিল দিল্লীৰ সম্রাট জাহাঙ্গীৰ আৰু ছাহজাহান বাদছাহৰ দিনৰ মোগলৰ লগত হোৱা যুদ্ধত অসমৰ সেনাপতি মোমাইতামুলী বৰবৰুৱাৰ স্থমলীয়া পুতেক। সামান্য অৱস্থাৰপৰা মোমাইতামুলী বৰবৰুৱা হৈছিল। ৰাজ্যৰ সৰ্বপ্ৰধান কাৰ্যপালক আৰু বিচাৰক, এই দুয়ো বিষয়ৰ ভাৰ আছিল বৰবৰুৱাৰ গাত।

তেওঁৰ নাম আছিল শুকুতি, কিন্তু তেওঁ মোমাইতামুলী বুলিহে বেছিকৈ জনাজাত। তেওঁ পোনতে সাধাৰণ বনুৱা হিচাপে চাৰি টকা ৰূপৰ কাৰণে ভাগিনীয়েকৰ ঘৰত বন্ধা হৈ কাম কৰিছিল। এদিন তেওঁ চৰাইদেওলৈ যোৱা আলিকাষৰৰ পথাৰত আলি দিবলৈ কোৰেৰে কাম কৰি আছিল। ভাগিনীয়েকে তেওঁক মোমাই বুলি মাতিছিল, তাকে দেখি সেই ঠাইৰ মানুহে শুকুতিক মোমাই বুলি মাতিবলৈ ধৰিলে। স্বৰ্গদেৱ প্ৰতাপসিংহ মহাৰাজ বাটেৰে যাওঁতে শুকুতিক কাম কৰি থকা দেখা পালে, আৰু তেওঁ ধাননি পথাৰত চিকুণকৈ আলি দিয়া দেখি স্বৰ্গদেৱে সন্তোষ পালে। মানুহৰ গুণৰ প্ৰতি স্বৰ্গদেৱৰ দৃষ্টি বৰ চোকা আছিল। স্বৰ্গদেৱে মোমাইক ভাগিনীয়েকৰপৰা মোকোলাই আনি পোনতে তিপমীয়া ৰাজখোৱা আৰু পিচলৈ বজাৰ বাৰীচোৱা বৰতামুলী পাতিলে। মোমাই-তামুলীয়ে ইটো পদৰপৰা সিটো পদলৈ উঠি অৱশেষত বৰবৰুৱাৰ বিষয় লাভ কৰিলে। মোগল যুদ্ধৰ সময়ত তেওঁ আহোম সৈন্যৰ সেনাপতিৰূপে যুদ্ধ পৰিচালনা কৰিছিল। ১৬৩৯ চনত আল্লাহ-ইয়াৰ-খাঁৰ লগত হোৱা সন্ধি নিবন্ধত মোমাইতামুলীয়ে প্ৰধান অংশ গ্ৰহণ কৰিছিল; আৰু বহুবছৰ ধৰি এই সন্ধিৰ ভেটিতে অসম-মোগলৰ সম্বন্ধ পৰিচালিত হৈছিল। মোমাইতামুলীৰ দূৰ-

দৰ্শিতা আৰু সাহসিকতা স্বৰ্গদেৱ প্ৰতাপসিংহৰ প্ৰধান সম্বল আছিল। এজনা মোগল উকীলে ফৌজাদাৰৰ আগত কৈছিল—"চাহেব, অসমৰ কথা কি কোৱা? ৰজা হ'ল সাক্ষাৎ মহাদেৱ, মোমাইতামূলী হ'ল মহাদেৱৰ প্ৰধান ভৃত্য নন্দী। এই দুজনা অসমৰ কাৰ্যকাৰক হৈ থকা পৰ্যন্ত তুমি সেই দেশলৈ টোৱাব নোৱাৰা।" মোমাইতামূলীৰ জীয়েক পাখৰী গাভৰু স্বৰ্গদেৱ জয়ধ্বজসিংহৰ কুৱঁৰী আছিল। সম্ৰাট আওৰঙ্গজেৱৰ তৃতীয় পুত্ৰ চুলতান। আজমতাৰাৰ মহিষী ৰমণী গাভৰু আছিল জয়ধ্বজসিংহ আৰু পাখৰী গাভৰুৰ সন্তান। মোমাইতামূলীৰ পুত্ৰসকলেও ৰাজ্যৰ ওখ ওখ বিষয় ভোগ কৰিছিল।

অসমৰ বৰ্তমান অৰ্থনৈতিক জীৱন মোমাইতামূলী বৰবৰুৱা অনুষ্ঠিত ব্যৱস্থাৰ পৰিণতি বুলি কব পাৰি। ১৬০৮ খৃষ্টাব্দত তেওঁ অসমীয়া বিষয়াসকলৰ কৰ্তব্য আৰু কাৰ্যপন্থা নিৰূপণ কৰে আৰু কাৰ তলত কিমান সংখ্যক পাইকে কাম কৰিব তাকো ধাৰ্য কৰি দিয়ে। মোগলৰ মনচবদাৰী প্ৰথা অনুযায়ী বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ৰাজখোৱা, ফুকন এইসকল বিষয় সৃষ্টি কৰা হয়। অৱশ্যে এই প্ৰথা নিৰূপণ কৰোঁতে অসমত পূৰ্বকালৰেপৰা চলি অহা বিষয়াৰ তাৰতম্যৰ প্ৰণালীৰ পিনেও চকু ৰখা হৈছিল। সুদৃঢ় অৰ্থনৈতিক ভেটিত অসমীয়া গাৱঁলীয়া জীৱন সংগঠন কৰাৰ ভাৰো মোমাই-তামূলীক অৰ্পণ কৰা হৈছিল। শাসনৰ সুবিধাৰ নিমিত্তে গাওঁসমূহক এটা এটা চুবুৰীত অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰত্যেক অসমীয়া পৰিয়ালৰ তিৰোতাসকলৰ নিমিত্তে সূতাকটা আৰু কপোৰবোৱা বাধ্যতামূলক আছিল। মোমাইতামূলীৰ এই দূৰদৰ্শী ব্যৱস্থাৰ কাৰণে, জাতি বৰ্ণ আৰু সামাজিক অৱস্থা নিৰ্বিশেষে গোটেই অসমত কাপোৰ বোৱা প্ৰথা আজিলৈকে প্ৰচলিত হৈ আছে। প্ৰতিখন গাঁৱতে প্ৰয়োজনীয় কাৰিকৰ, পুৰোহিত আদি সকলো বিদ্যা আৰু ব্যৱসায়ৰ মানুহৰ বসতি আছিল। অৰ্থনৈতিক স্বাধীনতা অসমীয়া সামাজিক

জীৱনৰ মূল লক্ষ্য আছিল। ইয়াৰ ফলত প্ৰতি পৰিয়ালৰ নিজৰ যাৱতীয় প্ৰয়োজনৰ বস্তু নিজ ঘৰতে উৎপন্ন হৈছিল।

সমসাময়িক অসম বুৰঞ্জীৰপৰা মোমাইতামূলীৰ কৰ্তব্য পৰায়ণতাৰ বিষয়ে এটি ভাল উদাহৰণ পোৱা যায়। নামনি অসমত শাসনকৰ্তা হৈ থকা কালত তেওঁ কছাৰী ৰজা ভীমবল নাৰায়ণৰপৰা এখন চিঠি পালে। চিঠিত তেওঁক 'নামাজানিৰ ৰজা' বুলি অভিহিত কৰা হৈছিল। এই আখ্যা দেখি মোমাইতামূলীয়ে ভাবিলে যে তেওঁৰ অধিপতি স্বৰ্গদেৱ প্ৰতাপসিংহ মহাৰাজক অপমান কৰা হৈছে। তেওঁ এই বিষয়ে গড়গাঁৱত থকা স্বৰ্গদেৱলৈ লিখি পঠিয়ালে। স্বৰ্গদেৱে উত্তৰ দিলে—"কছাৰী ৰজাই মোৰ বিষয়া বৰবৰুৱাক ৰজা বুলি চিঠি দিছে, ইয়াৰপৰা বুজিব পৰা গ'ল যে সৰ্বাধিনায়ক মহাৰজা মোলৈ তেওঁৰ অসীম শ্ৰদ্ধা। কছাৰী ৰজাৰ কোনো অপৰাধ নাই। তেওঁৰ উকীলক ভালৰূপে বঁটা দি বিদায় দিবা।"

মোমাইতামূলীৰ উচ্চপদ আৰু প্ৰখ্যাতি লাভৰ মূল কাৰণ আছিল তেওঁৰ অতুলনীয় কৰ্তব্যজ্ঞান আৰু স্বৰ্গদেৱৰ প্ৰতি পৰম আনুগত্য আৰু নিষ্ঠা। তেওঁৰ কৰ্তব্য যিমানকি গুৰু বা সাধাৰণ হওঁক, তেওঁ সকলো অৱস্থাত তাৰ সমাধানত নিজৰ সৰ্বান্তঃকৰণ দি কাম কৰিছিল। তেওঁ নিজৰ প্ৰতি আৰু নিজৰ আদৰ্শৰ প্ৰতি সদায় সত্যনিষ্ঠ আছিল, আৰু তেওঁৰ সকলো কাৰ্যাৱলীত সৰ্বাঙ্গসুন্দৰভাৱে সমাধানৰ আনন্দই তেওঁক অনুপ্ৰেৰণা যোগাইছিল, নিজৰ লাভ বা সুবিধা যিয়েই নহওঁক লাগিলে। লাচিত বৰফুকনে পিতৃদেৱতাৰপৰা এইখিনি গুণৰ উত্তৰাধিকাৰী হৈছিল, অপৰাজেয় কৰ্তব্যজ্ঞান আৰু নিজে কৰা কামত সম্পূৰ্ণ আত্মবিলোপ। লাচিত বৰফুকনে যদি নিজৰ আত্মজীৱন-চৰিত লিখিলেহেঁতেন তেওঁ তাত স্বীকাৰ কৰিলেহেঁতেন—"মই দেউতাৰ পৰা শিকিছিলো, কৰ্তব্যপৰায়ণ হবলৈ আৰু নিজৰ কাম ভাল পাবলৈ, আৰু মোৰ ওপৰত

আৰোপণ কৰা দায়িত্বক নিষ্ঠতা আৰু বিবেকেৰে কৰি যি মধুৰ আনন্দ সেই আনন্দত আত্মবিভোৰ হবলৈ।”

দেউতাক মোমাইতামূলী বৰবৰুৱাৰ ৰাজধানীত থকা ঘৰৰ চ’ৰাৰ দৈনন্দিন কাৰ্যাৱলীৰপৰাই লাচিতে পোন প্ৰথমে শিক্ষা পাইছিল। এই চ’ৰাই তেওঁৰ পক্ষে শিক্ষাবাহৰ আৰু বিদ্যালয় স্বৰূপ হৈছিল। বৰবৰুৱা হিচাপে মোমাইতামূলীৰ তলত যাৱতীয় বিষয়াসমূহে কাম কৰিছিল, এওঁলোকৰ সহায়েৰে তেওঁ নিজৰ ৰাজকাৰ্য সম্পাদন কৰিছিল, মাটি আৰু গোচৰৰ সিদ্ধান্ত দিছিল, বিদেশৰপৰা অহা দূতসকলক সম্বৰ্ধনা জনাইছিল, আৰু বজাঘৰীয়া আৰু কূটনৈতিক সমস্যাবোৰ আলোচনা কৰিছিল। স্বৰ্গদেৱৰ বৰচ’ৰা, ন্যায়ালয় আৰু থকাঘৰত বৰবৰুৱাৰ কৰ্তব্য ধাৰ্য আছিল। কিন্তু তেওঁৰ ঘৰতো যথেষ্ট কাম আছিল, সেইবোৰৰ সিদ্ধান্ত যথাসময়ত স্বৰ্গদেৱৰ পাত্ৰ-মন্ত্ৰীৰ আগত আলোচনা আৰু সমৰ্থনৰ কাৰণে দাঙি ধৰিছিল। দেউতাকৰ চহৰৰ ঘৰতো হোৱা সকলো কথা ল’ৰা অৱস্থাত লাচিতে দেখিছিল আৰু শুনিছিল। যাতে পৰিয়ালৰ ভিতৰত পুৰুষানুক্ৰমে ওখ বিষয়বোৰ চলি থাকে, তাৰ কাৰণে আহোমৰ সম্ভ্ৰান্ত লোকসকলে পুতেকহতঁক শিক্ষা দিবৰ নিমিত্তে উপযুক্ত শিক্ষক নিয়োগ কৰিছিল। সকলো উচ্চ পৰিয়ালতে ভাল ভাল পণ্ডিত নিযুক্ত কৰা হৈছিল। তেওঁলোকে আহোম শাস্ত্ৰ আৰু হিন্দু দণ্ডনীতি আৰু অৰ্থশাস্ত্ৰ অনুসৰি ডেকাসকলক ৰাজধৰ্মৰ জ্ঞান দিছিল, আৰু দেশৰ বুৰঞ্জী আৰু শাসন সম্বন্ধীয় পূৰ্বৰ আৰ্হি স্বৰূপে ঘটনাবোৰৰ কথাও জনাইছিল। বৰবৰুৱাৰ পুত্ৰ হিচাপে লাচিতে বজাৰ বৰচ’ৰালৈকো অহা-যোৱা কৰিছিল। বুৰঞ্জীত পোৱা যায় যে লাচিতক ৰাজমন্ত্ৰী ডাঙৰীয়াৰ হাচটিধৰা তামূলী নিযুক্ত কৰা হৈছিল, এই পদটো ঘৰুৱা সচিব বা প্ৰাইভেট ছেক্ৰেটৰী খাপৰ বিষয়। ৰাজনীতিৰ ক্ষেত্ৰত এই পদটোক প্ৰথম সোপান বুলি সকলো ঠাইতে গণ্য কৰা হয়।

হাচটিধৰা তামূলীয়ে মন্ত্ৰীৰ তামোল-পাণ আৰু কাকত-পত্ৰ লৈ গৈছিল আৰু সেইমতে তেওঁ ৰজাৰ বৰচ'ৰাত হোৱা পাত্ৰ-মন্ত্ৰীৰ মেলত উপস্থিত হব পাৰিছিল। সেই মেলত থাকিবলৈ সুবিধা পোৱাটো বিশেষ অনুগ্ৰহৰ কথা। দেউতাকৰ ঘৰত লাভ কৰা শিক্ষাক স্বৰ্গদেৱৰ চ'ৰাত সমাধা হোৱা পাত্ৰ-মন্ত্ৰীৰ মেলৰ কথা-বাৰ্তাৰ জ্ঞানৰদ্বাৰা লাচিতে পৰিপুষ্ট কৰিব পাৰিছিল।

সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰাৰ কাৰণে সামৰিক শিক্ষা বাদ নপৰিছিল, কাৰণ সেই কালত অসামৰিক আৰু সামৰিক এই দুয়োৰে ভিতৰত নিকপকপীয়া প্ৰভেদ নাছিল। আৰু প্ৰতিজন বিষয়াই, এনেকি ন্যায়সোধা বিষয়া, বা পুৰোহিতেও আৱশ্যক হলে আৰু অৱস্থা অনুযায়ী অস্ত্ৰ গ্ৰহণ কৰিব লগাত পৰিছিল। প্ৰাচীন আহোম পৰিয়ালবৰ্গ আছিল মূল শাসনৰ ঘাই ধৰণীস্বৰূপ, সেই কাৰণে তেওঁলোকৰ ডেকাসকলে বহুমুখী শিক্ষা লাভ কৰিব লগাত পৰিছিল। লাচিত বৰফুকন লুখুৰাখুন ফৈদৰ মানুহ আছিল। এই ফৈদ অতি প্ৰাচীন আৰু এওঁলোকৰ আদি পুৰুষজনা অসম বিজেতা চুকাফাৰ লগত আহিছিল। আহোম স্বৰ্গদেৱসকলৰ শৱ মৈদামত থোৱাৰ কালত তেওঁলোকৰ নিৰ্দিষ্ট কৰ্তব্য আছিল।

লাচিতৰ চা-চেহেৰাৰ বিষয়ে জানিবৰ কাৰণে আমাৰ হাতত সমসাময়িক ছবি পৰা নাই। যাহওক, তেওঁৰ আৰু সহযোগী সেনাপতিসকলৰ আকৃতি-প্ৰকৃতিৰ বিষয়ে এটি সংক্ষিপ্ত লিপিবদ্ধ বিবৰণী পোৱা যায়। লিথকে এটা-দুটা কথাৰে লাচিতৰ ৰূপ বৰ্ণনা কৰিছে। লাচিতৰ বিষয়ে বুৰঞ্জীত আছে—"ইটাখুলিৰ নামনিত আছিল লাচিত ফুকন, তেওঁৰ মুখখন বহল আৰু পূৰ্ণচন্দ্ৰৰ নিচিনা। কোনেও তেওঁৰ চকুলৈ চাব নোৱাৰে।"

বৰসেনাপতি হোৱাৰ পূৰ্বে লাচিতে কি কি বিষয় ভোগ কৰিছিল তাৰ বিষয়ে সঠিক জানিব নোৱাৰি। কিন্তু তিনিটা বাব

লোৱাৰ কথা নিশ্চয়কৈ জানিব পাৰি। পোনতে তেওঁ ঘোঁৰাবৰুৱাৰ পদ পাইছিল। ঘোঁৰাবৰুৱাৰ কাম আছিল ৰজাৰ ঘোঁৰাবোৰৰ তত্ত্বাবধান কৰা। এই বাবত থাকোঁতে লাচিতে দুৰ্দান্ত ঘোঁৰাক বশলৈ আনিছিল, তাৰ পৰিণামত ৰজাই ঘোঁৰাত উঠোঁতে দোলাত উঠা যেন পাইছিল। কিছুদিনৰ পিচতে লাচিতে দুলীয়া বৰবৰুৱাৰ পদ পাইছিল আৰু তাৰপিচত গড়গাঁৱৰ সমীপৱৰ্তী শিমলুগুৰি খেলৰ প্ৰধান বিষয়া শিমলুগুৰীয়া ফুকনৰ বাব পাইছিল। তাৰ পিচত তেওঁ দোলাকাষৰীয়া বৰুৱাৰ পদ পায়। তেওঁৰ কাম আছিল ৰজা দোলাত উঠি যাওঁতে লগত যোৱা পালী-পহৰীয়াবোৰক চলাই-মেলি ফুৰা। দোলা-কাষৰীয়াবোৰৰ বাব আছিল আজিকালিৰ পুলিচৰ চিপাহীৰ দৰে আৰু সেই অনুসাৰে দোলা-কাষৰীয়া বৰুৱাজন আছিল আজিকালিৰ পুলিচ বিভাগৰ বৰমূৰীয়া বিষয়া ইন্সপেক্টৰ জেনাৰেলৰ নিচিনা। বৰুৱাতকৈ ফুকনৰ মৰ্যাদা অধিক হলেও সেই দোলা-কাষৰীয়া বৰুৱাৰ বাবটোৱে লাচিতক বেছি চকুত লগা কৰিছিল। মীৰজুমলাৰ আক্ৰমণৰ সময়ত লাচিতে দিখৌমুখত শত্ৰুসৈন্যৰ লগত যুদ্ধ কৰিছিল আৰু সেই কামত তেওঁ কিছু প্ৰৰিমাণে কৃতকাৰ্যও হৈছিল।

বৰসেনাপতিৰূপে নিযুক্ত হোৱাৰ সময়ত লাচিত দোলা-কাষৰীয়া বৰুৱা আছিল বুলি কোৱা হৈছে। স্বৰ্গদেৱে দোলাত বহি থকা অৱস্থাতে লাচিতক এবাৰ কাষলৈ মাতি আনিলে আৰু নতুন সেনাপতিৰ কাৰ্যদক্ষতাৰ প্ৰমাণ চাবৰ মনেৰে স্বৰ্গদেৱে দোলা-কাষৰীয়া মানুহখিনিক নিজৰ কৰ্তব্য সম্পাদনৰ বিষয়ে বুজাবলৈ লাচিতক আদেশ দিলে। লাচিতে ভালকৈ বুজাই দিয়াত স্বৰ্গদেৱে সন্তোষ পাই কলে—"বঙাল শত্ৰু ওচৰতে আছে ; কেনেকৈ চৈয়দ পিৰোজ আৰু চৈয়দ চালাক ধৰিব পৰা যাব ? অধিকাৰী যাক পাতিম সিওঁ গাঢ় হব লাগিব।" ইয়াৰ উত্তৰত লাচিতে ক'লে—

"স্বৰ্গদেৱৰ ৰাজ্যতনো মানুহ নাই নেকি ? বঙালনো কি ? মানুহহে। আমাৰ ৰাজ্যত নোলাব নেকি তেনে মানুহ ? স্বৰ্গদেৱে ধূলা দিবহে লাগে। মন কৰি চাওঁক।" এই কথা শুনি তেতিক্ষণে লাচিতক অসমীয়া সৈন্যৰ প্ৰধান সেনাপতি পাতিবলৈ স্বৰ্গদেৱে থিৰ কৰিলে। স্বৰ্গদেৱৰ সিদ্ধান্তত মন্ত্ৰীসকলেও হয়ভৰ দিলে।

লাচিতক সেনাপতি পতা কথাটো প্ৰকাশ্যভাৱে ঘোষণা কৰাৰ পূৰ্বে তেওঁৰ নিৰ্ভীকতা আৰু আত্মমৰ্যাদাবোধৰ নতুন প্ৰমাণ চাবৰ কাৰণে স্বৰ্গদেৱে ইচ্ছা কৰিলে। লাচিতক স্বৰ্গদেৱৰ কাষলৈ মাতি অনা হ'ল। স্বৰ্গদেৱৰ আগত আঠু লবৰ সময়ত আঁৰত থকা লিগিৰা এটাই, আগৰ ব্যৱস্থামতে, বেগেৰে আহি লাচিতৰ মূৰৰ বস্ত্ৰ থাপমাৰি কাঢ়ি লৈ গ'ল। এইদৰে মূৰত পিন্ধা কাপোৰ কাঢ়ি নিয়াটো তেতিয়াৰ দিনত, এনেকি আজিও, বৰ অপমানৰ কথা। লাচিতৰ বৰ খং উঠিল, তেওঁ খাপৰপৰা হেংদান উলিয়াই লিগিৰাটোক কাটিবলৈ খেদি গ'ল। উপায় নাপাই লিগিৰাই স্বৰ্গদেৱৰ সিংহাসনৰ তলত সোমাল। তালৈকে উগ্ৰমূৰ্তি হৈ লাচিতে লিগিৰাটোক কাটিবলৈ চোঁচা মাৰি গ'ল। এনেতে স্বৰ্গদেৱে বাধা দিলে আৰু লাচিতৰ অপৰিমেয় সাহপিতৰ প্ৰমাণ পাই তেওঁক স্বৰ্গদেৱে প্ৰশংসা কৰিবলৈ ধৰিলে। লাচিতক স্বৰ্গদেৱে সোণোৱালী হেংদান আৰু মৰ্যাদা অনুসৰি অন্যান্য খিতাপ দি আনুষ্ঠানিকভাৱে সেনাপতি আৰু বৰফুকন পদত নিযুক্ত কৰিলে।

যুদ্ধৰ আয়োজনৰ লগে লগে চক্ৰধ্বজসিংহ স্বৰ্গদেৱে মোগলৰ মতি-গতি আৰু সামৰিক কাৰ্য-কলাপৰ বিষয়ে জানিবৰ কাৰণে দেশ-বিদেশলৈ উকীল-কটকী পঠিয়াবলৈ ধৰিলে। দেশৰ দুৰৱস্থা দেখি স্বৰ্গদেৱ দুখিত হৈছিল সঁচা, কিন্তু যিখন দেশে মহম্মদ-বিণ-বখ্‌টিয়াৰ খিলিজিৰ দিনৰেপৰা মুছলমানৰ আক্ৰমণ ব্যৰ্থ কৰি আহিছে, মীৰজুমলাৰ হাতত পৰাভূত হোৱাৰ একমাত্ৰ দৃষ্টান্ত সেই দেশৰ

কাৰণে বিশেষ অপমানৰ কথা নহয়। অৱশ্যে এই অপমানৰপৰা খণ্ডেকীয়া ভাৱে মৰ্যাদা হানি হৈছিল বুলি ধৰিব লাগিব। চক্ৰধ্বজ-সিংহ স্বৰ্গদেৱ অভিভূত হোৱা নাছিল, কাৰণ স্বজাতিৰ অদম্য শক্তিৰ ওপৰত তেওঁৰ দুৰ্জয় বিশ্বাস আছিল।

১৬৬৩ আৰু ১৬৬৫ খৃষ্টাব্দৰ ভিতৰত দাক্ষিণাত্যত মহাৰাষ্ট্ৰৰ শিৱাজীয়ে মোগলক পৰাভৱ কৰিছিল। শিৱাজীৰ কৃতকাৰ্যতাই স্বৰ্গদেৱ চক্ৰধ্বজসিংহ মহাৰাজক নিজৰ যুদ্ধ কৰাৰ প্ৰচেষ্টাত উদ্‌গনি যোগাইছিল। ১৫৮৭ শকৰ ২৪ মাঘ বা ইংৰাজী ১৬৬৬ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে চক্ৰধ্বজসিংহই কোচবেহাৰৰ ৰজা প্ৰাণনাৰায়ণলৈ লিখিছিল—"তুমি কৈ পঠাইছা বোলে শুবাএৰে বঙালৰ লেঢ়াই লাগিছে, শুবাএ বঙালক মাৰি কুবিদিনৰ পথ হোঁহোঁকাইছে, আৰু দাউদ-খাঁ পৰিল, আৰু দিলেৰ-খাঁ ঘায় খাইছে, আৰু পাদশ্যাও দিল্লীৰ পৰা আগৰালৈ আহিছে, এইখান কৈছা, পাচত কাৰ ভঙ্গজয় হয় ইয়াকো নেজানি। আৰু বুলিছা আমিও গড়খাৰৈ প্ৰযত্নে কৰিছোঁ, তুমিওঁ গড় বান্ধা, লোক মলুকৰো মহলা কৰা। হয়, বুলিব পোৱা। কিন্তু বাৰেক দেৱতাৰো ভঙ্গজয় আছে। এবাৰ ঘাটিছোঁ বুলি আমি যত্ন নকৰিম নেকি? সিহঁতে এবাৰহে আমাক এনে কৰিছে সিহঁতক আমি বাৰম্বাৰ যেনে কৰিছোঁ তুমি আপুনি সমস্তবোৰ জানা।"

# মোগলৰ হাতৰপৰা গুৱাহাটী উদ্ধাৰ

১৬৬৭ খৃষ্টাব্দৰ বাৰিষাৰ লগে লগে অসমৰ যুদ্ধৰ আয়োজন সমাপ্ত হ'ল আৰু যুদ্ধ যাত্ৰাৰ নিমিত্তে অসমৰ সৈন্যবাহিনী সাজু হ'ল। যুদ্ধৰ আৰম্ভণি কালত কৰিবলগীয়া পূজা-পাতল আহোম আৰু হিন্দু প্ৰথামতে যথাবিধি অনুষ্ঠিত হ'ল।

চক্ৰধ্বজসিংহ স্বৰ্গদেৱে সেনাপতিসকলক যথাযোগ্য বঁটা-বাহন দি এইৰূপে আজ্ঞা কৰিলে বোলে—"তহঁতৰো ভাৰ্যা পুত্ৰ, গো-ব্ৰাহ্মণ সকলো ৰক্ষা পৰিব লাগে। বঙালক যুদ্ধে জিনিলোঁ ইয়ো যশস্যা মই পাব লাগে। যদি ইটাখুলিত ভঙ্গাব নোৱাৰ তহঁতৰ নিচিনা ফুকন ৰাজখোৱাহঁত নোলাব নেকি ?"

১৫৮৯ শকৰ ৩ ভাদ, ইংৰাজী ১৬৬৭ চন, ২০ আগষ্ট বৃহস্পতিবাৰে আহোম সৈন্য দুভাগে বিভক্ত হৈ ব্ৰহ্মপুত্ৰইদি ভটিয়াবলৈ ধৰিলে। বৰফুকনৰ দোপদৰ কলিয়াবৰ পাই তাতে থাকি মোগলৰ বিৰুদ্ধে আক্ৰমণ চলালে। গুৱাহাটীত থকা মোগল ফৌজাদাৰ চৈয়দ ফিৰোজ-খাঁ শত্ৰুৰ আক্ৰমণৰ কাৰণে প্ৰস্তুত হৈ নাছিল, আৰু ৰঙামাটি আৰু ঢাকাৰপৰা নতুন সৈন্য আহি পোৱাৰো সময় নাছিল। ইয়াৰ পৰিণামে আহোম সৈন্যই ক্ৰমান্বয়ে জয়লাভ কৰিবলৈ ধৰিলে।

গুৱাহাটীৰ উত্তৰপাৰে বৰনদীৰ কাষৰত বাহবাৰী আক্ৰমণ কৰি আহোমে যুদ্ধৰ সূত্ৰপাত কৰে। কাজলীৰ গড় অতি সোনকালে অসমৰ হাতত পৰিল, তাত থকা সকলো বঙালকে কাটি পেলোৱা হ'ল, তাৰ ভিতৰত পাঁচোটা চৰ্দাৰো আছিল। উত্তৰপাৰৰ বঙাল সৈন্য বিভঙ্গে পলাল। গুৱাহাটীৰ উত্তৰে মনিকৰ্ণেশ্বৰ আৰু চাহবুৰুজত দুটা কোঠ দি আহোম সৈন্যই গুৱাহাটী লবলৈ মন কৰিলে। গুৱাহাটীৰ ইটাখুলি বা শুক্ৰেশ্বৰ পৰ্বতৰপৰা এফৌজ বঙাল সৈন্য ওলাই চাহবুৰুজ আক্ৰমণ কৰিলে। সেই যুদ্ধত কলঞ্জু সন্দিকৈৰ

পুতেক বেতমেলাই অসামান্য সাহ-বিক্রম দেখুৱাইছিল। উত্তৰপাৰৰ যুদ্ধত আহোম সৈন্য ইমান কৃতকাৰ্য হব নোৱাৰিছিল, কিন্তু তাত থকা ফুকনসকলে স্বৰ্গদেৱৰ আগত কৰা অঙ্গীকাৰ সুঁৱৰি প্ৰাণটাকি যুদ্ধ কৰিছিল।

দক্ষিণকূলত আহোম সৈন্যই যুদ্ধ কৰি কৃতকাৰ্যতা লাভ কৰিছিল। ইটাখুলি আক্ৰমণ কৰাটোৱেই আছিল তেওঁলোকৰ প্ৰধান লক্ষ্য। এই ইটাখুলি এটা সৰু পাহাৰ, ইয়াৰপৰা পশ্চিমে আগিয়াঠুৰি পৰ্বত আৰু পূবে কুৰুৱা পৰ্বতলৈকে ব্ৰহ্মপুত্ৰৰ এটি সুবিস্তীৰ্ণ দৃশ্য দেখা পোৱা যায়। ইটাখুলি দুৰ্গৰ ভিতৰত মোগলে সৈন্যৰ আহিলা-পাতি গোটখুৱাই থৈছিল। তাক অধিকাৰ কৰাটো অতি কষ্টসাপেক্ষ আছিল। অসমীয়া সেনাপতি পেলন ফুকনে কৈছিল—"যিজনে ইটাখুলি লব পাৰিব মই তেওঁৰ বন্ধা হৈ থাকিম।" পেলন ফুকনে এনেকৈ পৰাজয়ৰ মনোবৃত্তি প্ৰকাশ কৰা দায়ত স্বৰ্গদেৱে ফুকনক বুকু ছিৰি মাৰিবলৈ গড়গাঁৱৰপৰা আদেশ দি পঠিয়ালে। ইয়াকে শুনি গুৱাহাটীৰ ফুকনসকলে কলে, বোলে —"পেলন ফুকনে এনে কথা কোৱা আমি শুনা নাই।"

পেলন ফুকনক শাস্তি দিবলৈ খোজা কথাটোৰপৰা সুফল হ'ল। গুৱাহাটীৰ সেনাপতিসকলে অদম্য উৎসাহেৰে খুঁত কৰিবলৈ ধৰিলে, আৰু এদিন শেহতীয়া নিশা ইটাখুলি দুৰ্গ আক্ৰমণ কৰিলে। চোৰবচা অসমীয়া সৈন্যই মোগলৰ হিলৈৰ মুখত পানী ভৰাই থোৱাৰ কাৰণে সেইবোৰ অকৰ্মন্য হৈ পৰিল। মোগল সৈন্যই নাৱেৰে আগবাঢ়ি নৈৰ ফালৰপৰা ইটাখুলি আক্ৰমণ কৰিলে, কিন্তু আহোমৰ ধাৰাষাৰ গুলী বৰ্ষণত তিষ্ঠিব নোৱাৰিলে। ১৫৮৯ শক, কাতি মাহৰ ১৭ দিন যোৱাত, ১৬৬৭ খৃষ্টাব্দৰ ২ নবেম্বৰ বৃহস্পতিবাৰে মাজনিশা ইটাখুলি আৰু গুৱাহাটী, এই দুই দুৰ্গ আহোমৰ হাতত পৰিল। ইটাখুলি আক্ৰমণৰ সময়ত বীৰৰ সাজেৰে সজ্জিতা দুজনী তিৰোতা

মোগল ছুৰ্গবপৰা ওলাই আহিছিল, অসমৰ সৈন্যৰ খেদাত সেই বীৰাঙ্গণা ছুগবাকীয়ে নৈ পাৰ হৈ অশ্বক্ৰান্ত পালেগৈ। ৰণ জিনি আহোম সৈন্যই পাদশ্যাহী ভঁৰাল থকা হাতী, ঘোঁৰা, হিলৈ, টকা আৰু আন আন সকলো আহিলা-পাতি গোটাই-পিটাই ললে। অসম আৰু মোগলৰ সীমান্ত মানাহা নৈলৈকে মোগলক খেদি থোৱা হ'ল। গুৱাহাটীৰ ফৌজাদাৰ চৈয়দ ফিৰোজ-খাঁ আৰু মিৰবক্সী চৈয়দ চালা প্ৰমুখ্যে কেবাজনো পলৰীয়া বঙালক আহোমে ধৰি আনিলে। কিছুমান বন্দীক কাটি বাকীবোৰক গড়গাঁৱলৈ পঠোৱা হ'ল। মীৰজুমলাই ধৰি লৈ যোৱা আমাৰ মানুহ কেতখিনিক ওভোতাই আনিলে।

এইদৰে ছুমাহ সময়ৰ ভিতৰতে আহোমে হেৰোৱা ৰাজ্য আৰু লগে-লগে হেৰোৱা মৰ্যাদা আৰু প্ৰতিপত্তি পুনৰ উদ্ধাৰ কৰিলে। ইয়াৰ গুৰিত আছিল স্বৰ্গদেৱ চক্ৰধ্বজসিংহ মহাৰাজৰ দৃঢ়প্ৰতিজ্ঞা আৰু পৰম সাহসিক মনোবৃত্তি। ৰণ জয়ৰ বাৰ্তা শুনি স্বৰ্গদেৱে ক'লে —"মই এতিয়াহে ভাত এগৰাহ সুখেৰে খাব পাৰিম।" গুৱাহাটীত থকা সেনাপতিসকললৈ স্বৰ্গদেৱে যথাযোগ্য বঁটা-বাহন পঠিয়ালে আৰু পুনৰ যুদ্ধৰ নিশ্চয়তা জানি সাৱধান আৰু সৰ্তক হৈ থাকিবলৈ তেওঁলোকক আদেশ দিলে। ভগৱানে তেওঁক যুদ্ধজয়ৰ গৌৰৱ প্ৰদান কৰাৰ নিমিত্তে স্বৰ্গদেৱে নিজে বিশ্বনাথ ক্ষেত্ৰলৈ গৈ তাত মহাসমাৰোহেৰে পূজা পাতিলে।

গুৱাহাটী আৰু অসম উদ্ধাৰৰ কাহিনী অসম-মোগলৰ সংঘৰ্ষৰ বুৰঞ্জীত এটা লেখত লবলগীয়া অধ্যায়। সমসাময়িক অসম-বুৰঞ্জীত এই কাহিনী বিশেষভাৱে বৰ্ণিত হৈছে। শিলালিপি আৰু হিলৈতো এই ঘটনা খোদিত কৰা হৈছে। গুৱাহাটীত পোৱা এটা বিজয়-স্তম্ভত লাচিত বৰফুকনৰ শৌৰ্য গুণ এইদৰে বৰ্ণোৱা হৈছে—"সকলোবিধ ভূষণেৰে ভূষিত আৰু অলঙ্কৃত যাৰ শৰীৰ, নানাবিধ বিদ্যাৰে দীপ্তিমান

যাৰ অন্তঃকৰণ, কলিকালৰ পাপে স্পৰ্শ নকৰা মনোহৰ গুণবিলাকেৰে যি সুশোভিত, প্ৰতাপত যি দীপ্তিমন্ত, হাতী, ঘোৰা আৰু সেনাবিলাকৰ যি অধিপতি, পৰম ধৈৰ্য, মৰ্যাদা, শৌৰ্য আৰু গাম্ভীৰ্যৰ যি সাগৰ-স্বৰূপ শ্ৰীবৰবৰুৱাৰ পুতেক নামে প্ৰখ্যাত, সেই নামজানিৰ বৰফুকনে মুছলমানসকলক অনেক বিধ অস্ত্ৰ-শস্ত্ৰ, হাতী-ঘোৰা আৰু সেনাপতি প্ৰাড়ম্ভৰেৰে কৰা ৰণ জিকি শকাব্দৰ ৰন্ধ্ৰ-বজ্ৰ-বাণ-চন্দ্ৰ অৰ্থাৎ ১৫৮৯ বছৰ যোৱাত, বিৰাজ কৰিছিল।" নগাওঁ জিলাৰ শিমলুগড় দুৰ্গৰ ওচৰত শিলঘাটত পোৱা এটা বৰটোপত এইদৰে লিখা আছে— "স্বৰ্গদেৱ চক্ৰধ্বজসিংহই ১৫৮৯ শকত যবনক যুদ্ধত জিনি এই অস্ত্ৰ উদ্ধাৰ কৰিছে।"

উত্তৰ গুৱাহাটীৰ ফুলুঙ্গৰগড়ৰ পূবপিনে থকা এটা ডাঙৰ শিলৰ গাত দুখণ্ড লিপি পোৱা গৈছে। দুয়োখণ্ড অসমীয়া ভাষাত লিখা, প্ৰথমখণ্ড শিলটোৰ নামনিত আৰু দ্বিতীয়খণ্ড প্ৰায় এঘাৰহাত ওপৰত। তলৰখণ্ড শিলালিপি এই—

"শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেউ মহাৰাজাৰ মন্ত্ৰী, বাইগড়ীয়া বুঢ়াগোহাঁঞি নেওগ বৰফুকন, বাইগুতি গোহাঞিফুকন, বুঢ়াগোহাঁঞিফুকন, দিহিঙ্গীয়া ৰাজখোৱা, নুমলি ডেকা বৰুৱায় চৈন্থ পিৰোজক মাৰি গড় নিৰ্ম্মিলে। আঘোন মাহ। শক ১৫৮৯।"

ওপৰৰখন ফলিত আছে

"শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ মহাৰাজাৰ মন্ত্ৰী বাহগড়ীয়া বুঢ়াগোহাঁঞি, বৰফূকন, বৃহৎ গোহাঁঞিফূকন, বৃদ্ধ গোহাঁঞিফূকন, দিহিঙ্গীয়া সন্দিকৈ ফূকন সমন্বিতে গড় নিৰ্ম্মিত, আঘোন মাহ, শকে ১৫৮৯।" অনুমান হয়, ওপৰৰ ফলিখন পোনতে সংক্ষেপকৈ লিখা হৈছিল, তাৰ লগত কিছু কথা যোগ দি তলৰ ফলিখন লিখা হৈছে।

গুৱাহাটী উদ্ধাৰ কৰাৰ পিচত নব-অধিকৃত ৰাজ্য সংৰক্ষণ কৰাৰ কাৰণে আহোমসকলে চেষ্টা কৰিবলৈ ধৰিলে। ৰাজনীতি আৰু

সামৰিক কৌশল, এই দুয়ো বিষয়তে সুনিপুণ বিষয়াসকল গুৱাহাটীত একেলগ হ'ল। মোগলৰ সম্ভাৱিত আক্ৰমণ ব্যৰ্থ কৰিবৰ নিমিত্তে তেওঁলোকে উপায়-মন্ত্ৰণা বিবেচনা কৰিবলৈ ধৰিলে। তেওঁলোকে থিৰ কৰিলে যে গুৱাহাটীৰ চাৰিওমেৰে থকা গড়প্ৰাঙ্গি আওতাই লব লাগিব, যাতে গড়ৰ ভিতৰত মানুহ আৰু আহিলা-পাতি নিৰাপদে ৰাখিব পাৰি। গুৱাহাটী হৈছে আগৰে পতা ঠাই, সেইদেখি যুদ্ধৰ ঘাটি হিচাপে গুৱাহাটী উপযোগী। এই বিষয়ে লাচিত বৰফুকনে নিজে কৈছিল—“গুৱাহাটীত থাকি যুদ্ধ আমি নিজৰ ঘৰত বহি যুদ্ধ কৰাৰ নিচিনা সুবিধা।” তেজপুৰৰ সমীপৱৰ্তী চামধৰাৰ পৰিৱৰ্তে গুৱাহাটীতেই আহোম সৈন্যৰ থানা পাতিবলৈ থিৰ কৰা হ'ল।

ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে আৱশ্যকীয় গড় আদি নিৰ্মাণ কৰিবৰ কাৰণে স্বৰ্গদেৱে অতন বুঢ়াগোহাঁই ডাঙৰীয়াক আদেশ দিলে আৰু লাচিত বৰফুকনলৈ কৈ পঠিয়ালে, বোলে—“প্ৰতিডোখৰ সামৰিক সঙ্গমৰ ঠাইত এজন উপযুক্ত সেনাপতিৰ তলে এফৌজ সৈন্য থব লাগে।” কামৰূপৰ যাৱতীয় শাসন সুদৃঢ়ভাৱে সংগঠিত কৰা হ'ল আৰু নিৰ্ধাৰিত জাইগিৰি ধন বা ৰাজহ সংগ্ৰহ কৰিবলৈ চৌধাৰী আৰু পাটোৱাৰী নিযুক্ত কৰা হ'ল।

তলত লিখা আহোম বিষয়াসকলৰ মাজত কামৰূপৰ পৰগণাবোৰৰ শাসনভাৰ ভাগ কৰি দিয়া হ'ল ঃ

বৰফুকনৰ তলে—পৰগণা পাতিদৰং, বৰভাগ আৰু বঙ্গেশ্বৰ।

পানীফুকনৰ তলে—পৰগণা খাতা আৰু বনভাগ।

দুৱৰা ফুকনৰ তলে—পৰগণা পূবপাৰ আৰু পশ্চিম পাৰ।

ডেকা ফুকনৰ তলে—পৰগণা সৰুবংশৰ আৰু কছাৰীমহল।

চেটিয়াফুকনৰ তলে—ৰামচা আৰু সৰুক্ষেত্ৰী।

দৈয়ঙ্গীয়া ৰাজখোৱাৰ তলে—বৰক্ষেত্ৰী।

তৰ-শলগৰিয়া ৰাজখোৱাৰ তলে—চৈয়নীয়া।

গজপুৰীয়া ৰাজখোৱাৰ তলে—বাঢ়ন্তী।
পানী-শলগুৰীয়া ৰাজখোৱাৰ তলে—নগৰবেৰা।
পানী দিহিঙ্গীয়া ৰাজখোৱাৰ তলে—বগৰীবাৰী।
তৰুৱা দিহিঙ্গীয়া ৰাজখোৱাৰ তলে—বৰপেটা।
নামদঙ্গীয়া ৰাজখোৱাৰ তলে—বৰনগৰ।
পানী-অভয়পুৰীয়া ৰাজখোৱাৰ তলে—বজালী।
বৰ-অভয়পুৰীয়া ৰাজখোৱাৰ তলে—বেকেলি।
সৰু-অভয়পুৰীয়া ৰাজখোৱাৰ তলে—বাউসী।

ওপৰত উল্লিখিত বন্দৱস্ত গদাধৰসিংহ স্বৰ্গদেৱৰ দিনলৈকে চলি থাকে, খৃষ্টাব্দ ১৬৮১-১৬৯৬। তেওঁৰ দিনত পৰগণাবোৰৰ অধিকাৰী ফুকন আৰু ৰাজখোৱাসকলে স্বৰ্গদেৱৰ প্ৰতিনিধি গড়গঞা সন্দিকৈ ফুকনক ধৰিবলৈ উদ্যোগ কৰাত পৰগণাৰ শাসনভাৰ তেওঁ-লোকৰপৰা বৰফুকনৰ খাচ অধীনলৈ নিয়া হয়।

চৰাই-পহু মৰাৰ ছলেৰে লাচিত বৰফুকনে গুৱাহাটীৰ সমীপৱৰ্তী হাবি-বননি বাট-পথ চাই ফুৰিবলৈ ধৰিলে। গড়বোৰৰ বুৰুজত অন্তৰে-অন্তৰে হিলৈ পতা হৈছিল। সেইদৰে পৰ্বতৰ গাত, পৰ্বতৰ নামনিত আৰু ভৈয়ামতো হিলৈ পাতিছিল। এই কালত নৈৰ পাৰত আৰু পানীৰ মাজত গড় বন্ধা প্ৰথা পকা হৈ উঠে। দক্ষিণে পাণ্ডুৰপৰা অসুৰৰ আলিলৈকে আৰু উত্তৰে শৰাইৰপৰা কুৰুৱালৈকে ঠায়ে ঠায়ে সেনাপতি আৰু সৈন্য যুদ্ধৰ আহিলা লৈ সাজু হৈ আছিল। ইটাখুলিৰ নামনিত বৰফুকনৰ ঘাটি আছিল। আৰু উত্তৰপাৰৰ সৈন্য-সামন্ত পৰিচালনা কৰিবৰ বাবে বুঢ়াগোহাঁই ডাঙৰীয়াই লথিয়া পৰ্বতত কোঠ দি আছিল। পাদশ্বাহী সৈন্যেৰে-সৈতে যুদ্ধৰ কাৰণে এইদৰে আহোমসকল তৈয়াৰ হৈ আছিল।

# অসমৰ বিৰুদ্ধে ৰামসিংহ ৰজা

১৬৬৭ চনৰ ডিচেম্বৰ মাহত সম্রাট আওৰঙ্গজেৱে আহোমে গুৱাহাটী লোৱা বাৰ্তা পালে, ইয়াকে শুনি পূৰ্ব ভাৰতত মোগলৰ মৰ্যাদা পুনৰ সংস্থাপিত কৰিবৰ কাৰণে এটা ডাঙৰ ফৌজ পঠিয়াবলৈ সম্রাটে সঙ্কল্প কৰিলে। এই সৈন্যবাহিনীৰ সেনাপতি পাতিলে মীৰ্জা ৰজা জয়সিংহৰ পুতেক ৰজা ৰামসিংহক। ৰামসিংহক সেনাপতি বচাৰ এক কাৰণ আছিল তেওঁৰ সামৰিক কৃতিত্ব। আৰু এক কাৰণ হ'ল, শিৱাজী মহাৰজা আৰু শিখগুৰু টেগ বাহাদুৰ ৰজা ৰামসিংহৰ অৱহেলাত আটক অৱস্থাৰ পৰা পলাই যোৱাৰ কাৰণে শাস্তি। ৰামসিংহ পদচ্যুত হোৱাত আৰু তেওঁক সম্রাটৰ ৰবচ'বালৈ যাবলৈ নিষেধ কৰাত অম্বেৰৰ কচ্ছোৱা ৰাজপৰিয়ালৰ বংশধৰ জয়সিংহ ৰজা বৰ মৰ্মাহত হৈছিল। জয়সিংহৰ সামৰিক সুখ্যাতি কান্দাহাৰৰপৰা বঙ্গদেশলৈকে, আৰু বঙ্গৰপৰা মাৰাথা দেশলৈকে বিয়পি পৰিছিল। পুতেক ৰামসিংহৰ অপমানৰ পিচত জয়সিংহ সৰহদিন জীয়াই নেথাকিল। ১৬৬৭ চনৰ ২ জুলাই তাৰিখে বৰহনপুৰ নগৰত জয়-সিংহৰ মৃত্যু হোৱাৰ পিচত সম্রাটে ৰামসিংহক আদৰ কৰিবলৈ ধৰিলে। ৰামসিংহৰ পূৰ্বৰ চাৰিহাজাৰী মনচব ওভোতাই দিলে, আৰু তেওঁক অসম ৰণৰ সেনাপতি কৰি পঠিয়ালে। এই অসম "সেনাপতিৰ সমাধিস্থল" বুলি পৰিগণিত হৈছিল। বিশেষতঃ নবাব মীৰজুমলাৰ মৃত্যুৰ পিচত এই বিশ্বাসে দকৈ শিপা মেলিছিল। ১৬৬৭ চনৰ ২৭ ডিচেম্বৰ তাৰিখে, সম্রাট আওৰঙ্গজেৱে ৰামসিংহক এটা মূল্যবান খেলাট বা সাজ উপহাৰ দিলে, তাৰ ভিতৰত আছিল ঘোঁৰাৰ সোণোৱালী জিম এটা আৰু মুকুতাৰ বন কৰা জামদাৰ এখন। ১৬৬৮ চনৰ ৬ জানুৱাৰী তাৰিখে সম্রাটে ৰামসিংহক প্ৰকাশ্যভাৱে অসম অভিযানৰ সেনাপতি পাতিলে, আৰু ক'লে যে তেওঁক সৈন্য আৰু

আহিলা-পাতি দিবব নিমিত্তে উমদাত-উল-মুলক জাফৰ খাঁ উজীৰক আদেশ দিয়া হৈছে। বাৰিষা পাৰ হোৱাৰ পিচতে গুৱাহাটী লবৰ কাৰণে সম্রাটে ৰামসিংহক আদেশ দিলে, আৰু তেওঁলৈ আৱশ্যক অনুযায়ী অধিক সৈন্য পঠিয়াবলৈকো গাত ললে।

ৰামসিংহই তেওঁৰ প্রতি কৰা সম্রাটৰ আচৰণ পাহৰিব নোৱাৰিলে আৰু তেওঁ দুখ মনেৰেহে অসমলৈ আহিছিল। এজন অসন্তুষ্ট সেনাপতিক ভাৰতৰ দূৰ-দূৰণিত যুদ্ধৰ অধিনায়ক কৰি পঠোৱাটো সুবিবেচনাৰ কাম হৈছিল বুলি কব নোৱাৰি। সম্রাটেও এইটো কথা ভালকৈ বুজিছিল, কাৰণ তেওঁ হিন্দু ৰজা ৰামসিংহৰ কার্যকলাপৰ ওপৰত চকু ৰাখিবৰ নিমিত্তে, আৰু বিশেষকৈ তেওঁ কিজানি অসমৰ স্বর্গদেৱ আৰু বিষয়াসকলৰ সৈতে ভিতৰি গোপনে মিত্রতা কৰে, এই আশঙ্কাত ভালেমান মুছলমান বিষয়াক ৰামসিংহৰ লগত পঠিয়াইছিল। এই কেইজনা মুছলমান বিষয়া হৈছে মীৰা, চৈয়দ চাইফ দেৱান, মীৰ ৰাজি দেৱান, সাতশ যাছোলৰ বাহলোল-খাঁ দাৰোগা, তিনিশ তাহাদিৰ চুলতান আলি দাৰোগা আৰু মীৰ মজৰবেগ হাজী ওৱাকায়ানবীচ।

ৰামসিংহৰ মূল সৈন্য আছিল, ২১জন ৰাজপুত চর্দাৰ, তেওঁৰ নিজৰ মাহিনা পোৱা ৪০০০ অশ্বাৰোহী, ১৫০০ আহাদি আচোৰাবী, আৰু ৫০০ হিলৈদাৰী আৰু বঙ্গদেশৰ সৈন্যৰ সৈতে ৰামসিংহৰ সৈন্যৰ সংখ্যা আছিল ৩০০০০ পদাতিক, ১৮০০০ তুর্কী ঘোঁৰাত উঠা অশ্বাৰোহী আৰু কোচবেহাৰৰ ১৫০০ তীৰন্দাজ। তেওঁৰ সেনাপতি-সকলৰ ভিতৰত আছিল ৰজা ইন্দ্রমনী, আঢ়ৈ হেজাৰ সৈন্যৰ নায়ক চান্দমন্দ-খাঁ, আলম-খাঁ দুই হেজাৰী, বক্রম-খাঁ দুই হেজাৰী, দেৱান চৈয়দ গজপ-খাঁ এক হেজাৰী, কায়াম-খাঁ, জুলেল-বেগ, পৃথুৰজা, মানিক ৰজা, আঢ়ৈ হেজাৰ সৈন্যৰ নায়ক মীৰ গজবপ খাঁ বেলদাৰী, মিচিৰি-খাঁ, কিৰাতসিংহ ভার্তিয়া, মিৰথাৰ ৰঘুনাথসিংহ আৰু বৈৰাম-

দেউ ছিছোদিয়া। কোচবেহাৰৰপৰা পৰীক্ষিতৰ নাতি জয়নাৰায়ণ ৰজা, কবিশেখৰ বৰুৱা, সৰ্বেশ্বৰ বৰুৱা, মনমথ বৰুৱা, ঘনশ্যাম বক্‌ছী ৰামসিংহৰ লগত আহে। পাটনাত থকা শিখগুৰু টেগ বাহাদুৰকো ৰামসিংহই লগত আনে আৰু কামৰূপৰ যাদুমন্ত্ৰৰ প্ৰভাৱ ব্যৰ্থ কৰিবলৈ গাচঁগৰাকী পীৰকো ৰামসিংহই লগত লৈ আহে। মীৰ্জা ৰজা জয়সিংহৰ পৰম বন্ধু নবাব ছায়িষ্টা-খাঁই ৰামসিংহক বৰ আদৰ অভ্যৰ্থনা কৰিলে। ঢাকাৰ সৈন্যবাহিনীৰ অন্তৰ্গত দুহেজাৰ সৈন্য ৰামসিংহই লগত ললে।

বয়োবৃদ্ধ নবাব ছায়িষ্টা-খাঁ আছিল পৃথিৱী বিখ্যাত মমতাজ বেগমৰ ককাইদেৱেক। তেওঁ ভাগিনীয়েক সম্ৰাট আওৰঙ্গজেৱৰ কিছু পৰিমাণে অপ্ৰিয় ভাজন হৈছিল, বিশেষতঃ ১৬৬৩ চনৰ ৪ এপ্ৰিলৰ দিনা বুঢ়া আঙুলি এটা ছিঙা অৱস্থাতেই পুনাৰ দুৰ্গৰপৰা পলোৱা দিনৰে পৰা। শিৱাজীৰ ৰণত কাৰ্যকামত দক্ষতাহীনতা আৰু অৱহেলাৰ অপৰাধত ছায়িষ্টা-খাঁক শাস্তিৰূপে বঙ্গৰ চুবেদাৰ নিযুক্ত কৰা হৈছিল। তেতিয়াৰ দিনত বঙ্গদেশ খাদ্য-সামগ্ৰীৰে পৰিপূৰ্ণ "শান্তিৰ প্ৰদেশ" বুলি পৰিগণিত হৈছিল। অসমলৈ যাব খোজা ৰামসিংহক লগ পাই ছায়িষ্টা-খাঁই অসম ৰণৰ সঙ্কটৰ কথা বুজাই ক'লে। অসমৰ অস্বাস্থ্যকৰ হাৱা-পানী, যাদুমন্ত্ৰ, বিষাক্ত পানী, অটব্য আৰু দুৰ্গম হাবি-বননি, তিৰোতাৰ ছল-চাতুৰি আৰু আহোম সেনাপতিসকলৰ ৰণ-কিটিপ আৰু তলে-পুতল কূটনীতিৰ কথাও ক'লে। সংৰক্ষিত প্ৰাচীন বুৰঞ্জীৰপৰা ইয়াকো জানিব পাৰি যে ৰামসিংহৰ কৃতকাৰ্যতাৰ বিষয়ে নবাব ইমান আশান্বিত নাছিল। বঙ্গদেশৰ একেবাৰে গাতেলগা অসমৰ দৰে স্বাধীন ৰাজ্যৰ অৱস্থিতিটো ছায়িষ্টা-খাঁই সম্পূৰ্ণৰূপে অপচন্দ নকৰিছিল, কাৰণ ইয়াৰপৰা বঙ্গৰ চুবেদাৰৰ মৰ্যাদা আৰু প্ৰাধান্য বৃদ্ধি হোৱাৰ সম্ভাৱনা আছিল।

দুবণিব ৰণ-বিগ্রহব মুখ্য দায়িত্ব হিন্দু অধিনায়কৰ ওপৰত পৰিলে লগতে এজন মুছলমান সেনাপতি পঠোৱা পাদশ্যাহব নিয়ম আছিল, বিশেষকৈ যদি শত্রুপক্ষ হিন্দু হয়। সেইদেখি সম্রাটে গুৱাহাটীৰ ভূতপূর্ব ফৌজাদাৰ ৰছিদ-খাঁক ৰামসিংহৰ সহকাৰী সেনাপতিৰূপে নিযুক্ত কৰিলে। এইদৰে শিৱাজীৰ বিৰুদ্ধে জয়সিংহ ৰজাই যুদ্ধ কৰিবলৈ যোৱাত দিলেৰ-খাঁ দাউদজাইক লগত পঠোৱা হৈছিল। অসম ৰণলৈ ৰছিদ-খাঁক পঠোৱাৰ কাৰণ সম্রাটে যুক্তি দেখুৱাই ক'লে, বোলে—"ৰছিদ-খাঁ, তই মাজুম-খাঁৰ লগতো আগেয়ে গৈছ, আহোমৰ মাত-কথাও বুজ, তই যা।"

অম্বৰাধিপতি ৰজা ৰামসিংহৰ নেতৃত্বত অসমলৈ এটা সামৰিক অভিযান অহাত অসমীয়া সচেতন হ'ল, বুজিলে যে যুদ্ধৰ কাৰণে তেওঁলোকে শকতভাৱে আয়োজন কৰিব লাগিব। মোগল সাম্রাজ্য-বাদৰ পুৰুষানুক্রমিক সমর্থনকাৰী অম্বৰৰ ৰজাসকলৰ সামৰিক শক্তি আৰু উদ্যমৰ কথা গোটেই ভাৰতবর্ষত প্ৰখ্যাত আছিল। ৰামসিংহ অহাৰ বাৰ্তা পাই অসমীয়াৰ প্ৰাণত কোনো আতঙ্কৰ সৃষ্টি হোৱা নাছিল। তেওঁলোকে মাত্র ইয়াকে উপলব্ধি কৰিছিল যে পূর্বৰ গুৱাহাটী উদ্ধাৰৰ সংগ্ৰামতকৈ এই আগন্তুক সংগ্রাম অধিকতৰ কঠিন আৰু সমস্যাপূর্ণ হব। অসম-মোগলৰ সংঘর্ষত এইবাৰ এটি নতুন পর্যায়ৰ আৰম্ভণি হ'ল, ইয়াৰ উদ্দেশ্য আছিল গুৱাহাটীৰপৰা মানাহালৈকে এইখণ্ড ৰাজ্যৰ আধিপত্য সংৰক্ষণ। আহোমৰ সৈন্যবাহিনীক নতুন প্ৰণালীৰে ঠায়ে-ঠায়ে থোৱা হ'ল। গুৱাহাটীৰ গড়-কোঠ আৰু শকত কৰা হ'ল। লাচিত বৰফুকনে তেওঁৰ আজ্ঞা সোনকালে পালন নকৰিলে কাকো শুদাই এৰা নহব বুলি আদেশ প্ৰচাৰ কৰিলে। উত্তৰ পাৰে আমিনগাৱঁৰ ওচৰত গড় এটা সজাৰ ভাৰ বৰফুকনে মোমায়েকক দিছিল। নির্দিষ্ট সময়ৰ ভিতৰত গড় সমাপ্ত নোহোৱাত লাচিতে মোমায়েকক ছুটুকুৰাকৈ কাটিলে,

বোলে—"দেশতকৈ মোমাই ডাঙৰ নহয়।" লাচিতৰ এই কঠোৰতাৰ দৃষ্টান্ত সৈন্যৰ মাজত দকৈ বদ্ধমূল হ'ল আৰু যুদ্ধৰ কামত শিথিলতা আৰু অৱহেলাৰ সম্ভাৱনা সম্পূৰ্ণৰূপে নিৰ্মূল হ'ল।